# কাব্য-কলি

শ্ৰীতুলসীচন্দ্ৰ হাতী বৰুৱা
ভণিত আৰু প্ৰকাশিত।

# কাব্য-কাল।

শ্ৰীতুলসীচন্দ্ৰ হাতী বৰুৱা ভণিত।

নতুনৱাৰ—তেজপুৰ।

প্ৰথম তাঙ্গৰণ।



কলিকাতা,

৬নং কলেজ-স্কোৱাৰ, সাম্য-প্ৰেচত,

শ্ৰীদেবেন্দ্ৰনাথ বন্দ্যোপাধ্যায়ৰ দ্বাৰা

ছপা হ'ল।

১৮৩৮ শক।

মূল্য ৷৵ অনা।

# উচ্ছর্গা

পৰম পূজনীয়,

শ্ৰীল শ্ৰীযুক্ত পদ্মনাথ গোহাঁই বৰুৱা

শ্ৰীচৰণকমলেষু।

দেব।

স্বজাতি-স্বদেশ-প্ৰেম-প্লুতগৌৰৱৰ
প্ৰতিবিম্ব আপোনাৰে জ্ঞান আলোকৰ,
এটোপা লোতক মানি, নামে আপোনাৰ
উচ্ছর্গিলোঁ "ফুলকলি"-ভকতি-হিয়াৰ।

সেৱক।

# বাণী বন্দনা।

প্ৰণামো জ্ঞানাধিষ্ঠাত্ৰী দেবী বীণাপাণি !
বুলোৱাঁ আঙ্গুলি আই ! লবোৱাঁ এবাৰ,
প্ৰতিভা বীণৰ তাঁৰ, উঠক কঁপনি,
ব্যোম ভেদি, হোক তৱ মহিমা প্ৰচাৰ।

*

বজোৱাঁ বীণত আই ! জ্ঞান-কৰ্ম্ম-প্ৰেম,
মানুহৰ হিয়া-তন্ত্ৰী কঁপি সপ্তসুৰে
বই গই নৱৰস ব্ৰহ্মাণ্ডক ভেদি
হিয়ায় হিয়ায় যেন একোকণি জৰে।

*

জগোৱাঁ জগোৱাঁ আই ! জগোৱাঁ বীণেৰে,
দীপ্ত হোক নৱ-হিয়া জ্ঞান-আলোকত,
জীৱন প্ৰভাত বুলি উঠক মানৱ ;
স্বৰগৰ শান্তিধাৰা বওক মৰ্ত্ত্যত।

# সূচিপত্ৰ।


| বিষয়। | পৃষ্ঠা। |
| --- | --- |
| ১—স্তোত্ৰ থুপি ... ... .. ... | ১ |
| ২—বুৰঞ্জী গীতি থুপি | |
| (১) চৰাইদেও ... ... ... ... | ১৯ |
| (২) চৰগুৱা ... ... ... ... | ২৩ |
| (৩) বকতা ... ... ... .. | ২৬ |
| (৪) গড়গাওঁ ... ... .. ... | ২৯ |
| (৫) ৰংপুৰ ... ... .. ... | ৪১ |
| ৩—কুঞ্জথুপি | |
| (১) ভক্তি আৰু মুক্তি .. . | ৫২ |
| (২) তৃষ্ণা ... .. .. ... | ঐ |
| (৩) সাধনা ... ... ... . | ঐ |
| (৪) উপেক্ষা ... ... ... ... | ৫৩ |
| (৫) কালৰ প্ৰভাৱ ... ... ... | ঐ |
| (৬) উন্নতিৰ চানেকী . .. ... | ঐ |
| (৭) গালি ... ... ... ... | ৫৪ |
| (৮) পৰীক্ষা ... ... ... ... | ঐ |
| (৯) আকাশী বাণী ... ... ... | ঐ |
| (১০) সহনি ... ... ... ... | ঐ |

| বিষয়। | | | | | পৃষ্ঠা। |
|---|---|---|---|---|---|
| (১১) সগুণ আৰু নিৰ্গুণ | ... | ... | ... | | ৫৫ |
| (১২) ভিখাৰী | ... | ... | ... | ... | ঐ |
| (১৩) অবিচাৰ | ... | ... | ... | ... | ঐ |
| (১৪) সাধুৰ চিন্ | ... | ... | ... | ... | ঐ |
| (১৫) চন্দ্ৰৰ কলঙ্ক | ... | ... | ... | ... | ৫৬ |
| (১৬) স্পৃহা | ... | ... | ... | ... | ঐ |
| (১৭) ঘৰ জেউতি | ... | ... | ... | ... | ঐ |
| (১৮) সাহিত্য | ... | ... | ... | ... | ৫৭ |
| (১৯) শিক্ষা | ... | ... | ... | ... | ঐ |
| (২০) সুখ আৰু দুখ | ... | ... | ... | ... | ৫৮ |
| (২১) তপস্যাৰ ফল | ... | ... | ... | ... | ঐ |
| (২২) সহানুভূতি | ... | ... | ... | ... | ৫৯ |
| (২৩) কৰম কপাল | ... | ... | ... | ... | ঐ |
| (২৪) অহঙ্কাৰ | ... | ... | ... | ... | ৬০ |
| (২৫) ৰূপৰ বেহা | ... | ... | ... | ... | ৬১ |
| ৪—বিবিধ থুপি | | | | | |
| (১) কবিতা | ... | ... | ... | ... | ৬২ |
| (২) বাল্মীকি প্ৰতিভা | | ... | ... | ... | ঐ |
| (৩) কবিতা আবাহন | | ... | ... | ... | ৬৪ |
| (৪) আকাশ | ... | ... | ... | ... | ৬৬ |
| (৫) ভীষ্ম | ... | ... | ... | ... | ঐ |
| (৬) থুপিতবা | ... | ... | ... | ... | ৬৭ |
| (৭) নহওঁ নিবাশ | ... | ... | ... | ... | ৬৮ |

| বিষয়। | | পৃষ্ঠা। |
|---|---|---|
| (৮) | পাণ্ডৱগীতি | ৬৯ |
| (৯) | উষা | ৭০ |
| (১০) | চিত্ৰলেখা | ৭১ |
| (১১) | কৃষক | ৭২ |
| (১২) | নকৰা শুদাতে মিছা | ৭৩ |
| (১৩) | শান্তিপথ | ঐ |
| (১৪) | তুলসীদাস | ৭৫ |
| (১৫) | মোহমুদ্গৰ | ঐ |
| (১৬) | ন | ৭৯ |
| (১৭) | ভক্তি | ঐ |
| (১৮) | সুখ ক'ত ? | ৮০ |
| (১৯) | পিছলনি | ৮১ |
| (২০) | খঙৰ ব্যৱহাৰ | ৮২ |
| (২১) | প্ৰকৃতিয়ে মোক সাদৰিব | ৮৩ |
| (২২) | নাক কোচখাই গল | ৮৪ |
| (২৩) | ব্ৰহ্মহিয়া | ৮৫ |
| (২৪) | বসন্তকাল | ৮৬ |
| ৫—নীতিথুপি | | ৮৯-৯৭ |

# কাব্য-কলি।

## ১—স্তোত্র থুপি

(১)

হে প্ৰভু মঙ্গলময়!
(মোৰ) শোক বেজাৰত থিত্ দিয়াঁ তুমি
শান্ত্বনা ৰূপ লই,
দুখ বিপদত বাধাঁহি আপচি
ধৈৰ্য্য সীমনা হই।
অমঙ্গল ছাঁয়া পৰেহি যেতিয়া
মঙ্গল কাঁচলি বেঙ্গোৱা তেতিয়া,
তোমাৰ ৰদত তোমাৰেই ছাঁয়া
তোমাতেই পায় লয়।

*

হে প্ৰভু মঙ্গলময়!
পাপ যত মোৰ শাস্তিৰে থন্দোৱাঁ
হুলক কাটাঁ হলে,
অপৰাধ দোষ ধুৱাই পেলোৱাঁ
অনুতাপ চকু লোৰে।

সুখ অভিমান কৰাঁ খান খান
দি দাৰিদ্ৰৰ চোকা অস্ত্ৰ খান
সাধনা চৌৰবে সংস্কাৰ ধুলা
নিলগোৱা আঁতকই।

*

হে প্ৰভু মঙ্গলময়!
(মোৰ) হৃদিমন্দিৰৰ স্বাৰ্থ দুৱাৰ
সোলোকাই পোৱাঁ ঠেলি,
আন্ধাৰে কো বেদিত জ্বলোৱা
জ্ঞানৰ সলিতাগছি
ভক্তিৰ চাকিত প্ৰেম ঢালি দিয়াঁ,
শ্ৰদ্ধাৰ কাঠিৰে সলিতা বুলোৱাঁ,
নিৰ্গুণ তেও গুণ-পূজা লোৱাঁ—
কৰাঁ লোৱাঁ মোৰ হই।

---

(১)

প্ৰভু! তুমি যি কৰাঁ ভালৰ'(ক বুলি
একোৱে নহয় বেয়া,
মই মাত্ৰ তাৰে বাচোঁ ভাল-বেয়া,
(মোৰ) আমিত্ব বিষয় সেয়া।
(তুমি) ঢলৰ ওপৰে ঢল বৰষোৱাঁ,
(মোক) জোলোকা-জোলোকে দুপত পেলোৱা,
(কিবা) সজ উদ্দেশ্য সিদ্ধিৰ অৰ্থেৰে
ফুটা চকুত কুটা দিয়া;

তুমি যি কৰা ভালৰ'কে বুলি
বেয়াতো নহয় সেয়া !

প্ৰভু ! যত যেনেনতে যি হব লাগে
সকলো তোমাৰে দিহা,
( মই ) তাকে নকৰি ভাবোঁ আন এটা,
( মোৰ ) আমিত্ব বিষয় সেয়া।
মই ) পথ এৰি ফুৰোঁ পৰ্ব্বতে পাষণ্ডে,
( তুমি ) অবুজক বুজোৱা বিপদ-দণ্ডে,
দুখত হে মোৰ দুৰ্গতি খণ্ডে—
তেহে নিকা হয় হিয়া।
তুমি যি কৰা ভালৰ'কে বু'ল
বেয়াতো নহয় সেয়া।

( ৩ )

কেনে যে তোমাৰ লীলা দয়াময়।
তোমাৰ লীলা যে কেনে,
তিৰী-পুৰুষৰ মিলন উদ্দেশ্যে
কাম-প্ৰেম দিলা এনে !
কি যে কৌশলেৰে শৰীৰ গঢ়িলা
ইন্দ্ৰিয় দিলা কেনে !
মানুহ স্ৰজিলা এনে।
স্থূল কায়া আৰু সূক্ষ্ম প্ৰাণেৰে
কৰ্ম্ম, জ্ঞান, ভক্তি ত্ৰিবিধ জ্ঞানেৰে,
জন্ম-মৃত্যু দিলা এনে !

তোমাৰ উদ্দেশ্য সিদ্ধিৰ নিমিত্তে
তোমাৰ যে লীলা কেনে।

*

কেনে যে তোমাৰ লীলা দয়াময়!
কেনে যে তোমাৰ লীলা
পুৰুষত দিছাঁ চোকা অস্ত্ৰ মন,
স্ত্ৰীৰূপ দিছাঁ শিলা ;
অস্ত্ৰৰ ঘোল দুৰ্বুদ্ধি মানুহে
নিজে কাটি মৰে গলা।
ধৰাৰ নেজানি শিলত ঘহোঁতে
বজ্ৰবাকে কৰে নচলে নেকাটে ;
তোমাৰ সঁজুলিৰ দুৰদশা এনে
তেও সকলোতে দিলাঁ।
তোমাৰ মহিমা কি বুজিম প্ৰভু!
কেনে যে তোমাৰ লীলা

---

( ৪ )

একো একো দিন গই থাকোঁতেই
কোনো অচহৰা বাটে,
কাৰে পাশে পোৱা গছ বনলতা
পথ চিনা-চিনা লাগে ;—
কৰবাৰ যেন কোনোবা কালৰ
খেলা ধেমালিৰ ঠাইহে নিজৰ,

প্ৰভু! দেখা দেখা লাগে পূৰ্ব্ব স্মৃতি তৰ
জড়িত আছে বা তাতে!
কাহানিবা হলে গই থাকোঁতেই
নিচিনা নজনা বাটে।

•

কাহানিবা হলে জোন-জোনাকত
নীলা আকাশৰ পিনে,
চকুকা চুবুকি ভাৱৰ মাজে
চাওঁতে উদাস মনে;
চিনা চিনা লাগে কেনেবা-কেনেবি
কোনোবা কালৰ যেন চিনা ছবি
তোমাবে বা প্ৰভু! আপোন-আপোন
অতীতৰ স্মৃতি তেনে!
একো একো দিন জোন জোনাকত
নীলা আকাশৰ পিনে।

•

প্ৰভু! জীৱ জগতত সদায় ভ্ৰমিছোঁ,
সদায় দেখিছোঁ এনে,
কাহানিবা হলে চাওঁতে চাওঁতে
আচকিত হওঁ কেনে!
বিশ্ব খন যেন জীৱন সাগৰ,
যত জীৱ আমি জীৱ জলচৰ,
উটি বুৰি তাতে আছোঁ নিৰন্তৰ;
জীৱন মৰণ কেনে!

প্ৰভু! বুজোঁ বুজোঁ লাগে তোমাৰ যে এনে
নানা খেলা হনো কেনে।

---

( ৫ )

প্ৰভু! জন্ম-মৃত্যুৰ মাজে সবকাই নিঁছা
( মোক ) সজাই না না না সাজে,
( এই ) জন্ম-মৃত্যুৰ মাজে।
( মোৰে ) তোমাৰ কাৰ্য্য সাধি অচৰাৰা
জন্ম-মৃত্যুৰ বাজে।

*

( তোমাৰ ) মহা উদ্দেশ্যৰ কিবা অকনি
মোৰ অস্তিত্বেৰে সাধিছা
যিমানেই ক্ষুদ্ৰ হওঁ লাগে মই
লাগিছোঁ তোমাৰ কাজে
( এই ) জন্ম-মৃত্যুৰ মাজে।

*

কতদিন ভাবোঁ মিছাতেই মোৰ
আয়ুস হইছে পাৰ,
কটাইছোঁ বৃথা কাজে,
তাতো যে তোমাৰ অব্যক্ত মহিমা
নিখুঁত ৰূপেৰে বাজে ,,
( এই ) জন্ম-মৃত্যুৰ মাজে।

*

মনিছোঁ চকুৰে কত শুদা ঠাই,
তলকোঁ নিস্তব্ধ বিনা শব্দে বায়,
ৰওঁতে নিৰলে গমো কাৰ্য্য নাই,
( আছোঁ ) তোমাৰ উদ্দেশ্যৰ বাজে,
প্ৰভু ! তাতো হোৱা নাই বৃথা
তোমাৰ নিখুঁত উদ্দেশ্য বাজে
( মোৰ ) জন্ম-মৃত্যুৰ মাজে।

---

৬ /

প্ৰভু ! কি যে লুকালুকি খেলা তোমাৰ
কি যে লুকালুকি খেলা,
চেগা চোৰে কাকৈ দেখাদি দেখাদি
আকৌ কিয় লুকালা ?
( তোমাৰ ) কি যে লুকালুকি খেলা !

*

তুমি বিশ্ব ষোৰা, বিশ্বৰ আঁৰত
লুকুৱা কিৰূপে নিজ-বিকাৰত ?
ধৰা পৰিবা যে লুকাবা কিহত
( তেও ) বিশ্বৰ হে আঁৰ ললা
( এই ) অপূৰ্ণ ভাবৰ অপূৰ্ণ আকাঙ্ক্ষা
অপূৰ্ণ ৰূপে যে থলা !
( তোমাৰ ) কি যে লুকালুকি খেলা !

( ৭ )

কিয়নো দুখ দিয়াঁ দয়াময়!
দুখ কিয়নো দিয়াঁ?
শৰীৰেৰে পীড়া বেমাৰে আজাৰে
মনেৰে সন্তাপ দিয়াঁ;
জীৱন সঞ্জাত আতমা পখিটি
বন্দী কৰি কৰাঁ কেনে যে দুৰ্গতি!
ত্ৰিতাপেৰে তাপাঁ হিয়া আশকতি,
তাপ কিয়নো দিয়াঁ?
তাপ নহলে যে নগলে পৰাণ
( তোমাৰ ) সাঁচত সুঠে যে হিয়া
ঠিক এইবাৰ বুজিলোঁ বুজিলোঁ
দুখ সেইহে দিয়াঁ।

( ৮ )

প্ৰভু! পোন যৌবনৰ ঢলনি বেতিয়া
( মোৰ ) হিয়া উটি বুৰি পৰিলে,
কামনা-উদ্বেগ-হেন্দোলনি ঢৌৱে
ঠৌকি-বাঠৌ কৰিলে;
তেতিয়া তোমাৰ পহৰি বাখিলাঁ
( মই ) হিয়া হেকৰাও বুলি,
প্ৰকৃতি-ৰূপৰ সমষ্টি কাম্যৰ
তত্ব,—থাকিলোঁ ভুলি!

প্ৰভু ! নেজানো তেতিয়া সি যে মঠাউৰি
সৌন্দৰ্য্যৰ আঁটী বন্ধা ;
তোমাৰ করুণা সৌন্দৰ্য্যৰ আঁচ
( মোৰ ) হিয়া-আঁহেআঁহে ছন্দা !
শত জ্ঞান-জুৰি শত বেমেজালি
একতে মিলালা আ'ন
মোৰ ! মৰু-মৰীচিকা-মোহ আঁতৰিল
প্ৰভু ! তোমাৰ মাহাত্ম্য মানি !

( ৯ )

প্ৰভু ! তোমাৰ ঐশ্বৰ্য্য আশ্চৰ্য্য ধৰাত
আশ্চৰ্য্য দেহা যেই !
দেহাৰ ভিতৰি ইন্দ্ৰিয়ৰে স'তে
প্ৰাণ সংযোগ যে কি !
খণ্ড আকৃতিৰ পূৰ্ণ জীৱটিৰ
তোমাৰেই ক্ষুদ্ৰ কণিকা এটিৰ
স্বতন্ত্ৰতা দি নিজৰ সিটিৰ
কৰাইছা কি যে কি !
তোমাৰ ঐশ্বৰ্য্য আশ্চৰ্য্য ধৰাত
ইয়েই আশ্চৰ্য্য ই।

•

প্ৰভু ! জন্ম ধৰোঁতে নেহোৱাটো হলোঁ,—
কৰপৰা হলোঁ কি !
মৃত্যু পৰিলে মোহোৱা হম যে
আচৰিত ই-কি ই !

আক আচৰিত মাজৰচোৱা
নিৰমুভৱত অনুভৱ পোৱা
জীৱন কেঁচুৱা ডেকা বুঢ়া ভোৱা
(আক) সংসাৰ আসক্তি
আশ্চৰ্য্য বোলোঁ যে "নোহোৱা নোপোজা"
(নিজে) আশ্চৰ্য্য উপক্তি।
প্ৰভু! তয়েই আশ্চৰ্য্য ই।

---

( ১০ )

ধন্য কৰিলা হিয়া প্ৰভু! মোৰ
ধন্য কৰিলা হাত,
মোৰ হিয়া ডুবি পেলালা তোমাৰ
হিয়াৰ কৰুণা-ছাট্;
মোৰ হাতে দি নি উদ্দেশ্য সাধিলা
সঞ্চাৰি তোমাৰ হাত;
(মোৰ) ধন্য কৰিলা হাত।

*

যিটিৰ ভোকত প্ৰাণ যায়-যায়
তাৰনো সৌভাগ্য কি!
কৰুণাময়ৰ কৰুণা হাতৰ
প্ৰসাদ পালে যে সি!
প্ৰভু! মোৰ যন্ত্ৰেৰে যে কাৰ্য্য সাধিলা,
সাৰ্থক যন্ত্ৰ তাত;

ধন্য কৰিলা হিয়া প্ৰভু মোৰ
ধন্য কৰিলা হাত।

*

সিদিন এদিন মোৰ কি যে দিন—
মুহূৰ্ত্ত শুভ যেন,
তত্তাতৈয়াকৈ থিতৃ দিলা, গলা
বিজুলী চমক যেন,
মলিন একাঠু হিয়াৰ থাপনা
থিতাপি নহলা তাত,
ধন্য কৰিলা হিয়া প্ৰভু মোৰ
ধন্য কৰিলা হাত।

---

( ১১ )

প্ৰভু ! সৃষ্টি তোমাৰ উলটিব !
যুগল মূৰ্ত্তিৰ পূৰ্ণ বিকাশ—
পূৰ্ণ সৃষ্টি-লীলা তব,
এদিনা অন্ত হব, তোমাৰ
ইচ্ছা বি দিনা পূৰ্ণ হব।
( এই ) সৃষ্টি তোমাৰ উলটিব !

*

এক কাটি হলা দুই ইচ্ছাময়।
ইচ্ছা তোমাৰ এই যে সৃষ্টি,
বাখিলা মাজত প্ৰেম-ব্যৱধান
সূক্ষ্ম উদ্দেশ্য সূক্ষ্ম দৃষ্টি।

ব্যৱধান ঘুচি যিদিনা তোমাৰ
দ্বৈতবাদৰ মীমাংসা হব.
সিদিনা মিলিব মহান ঐক্য
. এই । সৃষ্টি তোমাৰ উলটিব।

*

সৃষ্টি তোমাৰ উলটিব প্ৰভু !
তোমাৰ সৃষ্টি উলটিব
পুৰুষ হব স্ত্ৰী-ভাবাপন্ন
পুৰুষৰ ভাব স্ত্ৰীৰ হব।
প্ৰভু ! সৃষ্টি তোমাৰ উলটিব।

*

পুৰুষে সাধিছে স্ত্ৰী ৰূপগুণ
আৱ-ভাৱ আদি পৰকিতি ;
স্ত্ৰীয়ে উলটি সাধিছে সিদৰে
পুৰুষ-স্বভাৱ গঢ়-গতি।
এই সাধনাৰ উদ্দেশ্য যি দিনা
স্ত্ৰী-পুৰুষৰ সিদ্ধি হব,
প্ৰকৃতি-পুৰুষ ভেদাভেদ ভাব
তেতিয়া একো না থাকিব,
প্ৰভু! সৃষ্টি তোমাৰ উলটিব।

*

প্ৰভু ! তোমাৰ সৃষ্টি উলটিব।
জ্ঞান বিজ্ঞানৰ চৰ্চ্চা নশ্বৰ
এদিন নিশ্চয় অন্ত হব,

উন্নতিয়েই যে অধোগতি-পথ
মানুহে তেতিয়া বুজি লব ;
( এই ) সৃষ্টি তোমাৰ উলটিব।

*

(মানুহে) এবিব তেতিয়া হিংসা খিয়াল
দম্ভ অভিমান,
অসৎ কামনা উচ্চ আকাঙ্খা
জটীল চিন্তা আন।
সৰল পবিত্র সুবিমল হিয়া
মানুহে তেতিয়া বাঞ্ছিব,
সত্য যুগৰ জেউতি ছটাই
ধৰাক তেতিয়া পোহৰাব।
বিশ্ব প্রকৃতিয়ে কলপ সলাব,
সৃষ্টি তেতিয়া উলটিব ,
সৃষ্টি তোমাৰ উলটিব প্রভু !
তোমাৰ সৃষ্টি উলটিব।

---

( ১২ )

ইচ্ছা মতে লবোঁচবোঁ
আকাশ শূন্য বুলি,
প্রভু ! তোমাৰ দয়াৰ উদাৰ আকাৰ
আকাশ দয়াৰ থলি।

*

বিৰ্ বিৰ্ বিৰ্ বলে বতাহ
প্রভু ! বতাহ তোমাৰ দয়া,

ৰদৰ তাপত চাকে সিৰে
(তোমাৰ) দয়া শীতল ছাঁয়া।

•

সিম সিম্ সিম্ বৃষ্টি পৰে
বিন্দু বিন্দু টোপ,
প্ৰভু! বৃষ্টি সি যে তোমাৰ দয়া,
ৰস দয়াৰ ৰূপ।
সেউজীয়া ধানৰ পথাৰ
থাপ্ত জগত জোৰা,
প্ৰভু! গৰ্ভৱতী শস্য তোনাৰ
দয়া গৰ্ভ ভৰা।

•

(তোমাৰ) দুটি সম্পদ বিশ্ব জোৰা
কি যে তোমাৰ মায়া,
তাকে যে লই পাতোঁ বেহা
প্ৰভু! সি যে তোমাৰ দয়া!

---

(১৩)

শূন্যত অঁকা আছে তোমাৰ ছবিটি প্ৰভু!
অন্ত হীন শূন্য আকাশেৰে,
জ্যোতিষ্কত অঁকা আছে চন্দ্ৰ সূৰ্য্য গ্ৰহ আৰু
নক্ষত্ৰাদি উজ্জ্বল জ্যোতিৰে।

মৰ্ত্তত অঁকা আছে বিভূতি ধৰম কৰ্ম
জ্যোতিৰ্ম্ময় জ্ঞান আলোকেৰে ,
পশুত্বত অঁকা আছে হিংসা দ্বেষ তাপ যত
অজ্ঞান পাপ আন্ধাৰেৰে ।

তৃণ তৰু লতা পাত হৰিৎ ৰঙ্গেৰে অঁকা,
ফুল অঁকা সুমিষ্ট ঘ্ৰাণেৰে,
পৰ্ব্বত ভৈয়াম আৰু সৰিৎ সাগৰ অঁকা
গছ বন পথাৰ জলেৰে ।

গ্ৰীষ্মত অঁকা তাপে, বৰ্ষাত বৃষ্টিৰে সতে,
শৰতত গৰ্ভিণী শস্যেৰে,
হেমন্তত নীহৰেৰে, শীতত জাৰেৰে অঁকা,
বসন্তত মলয়া বায়েৰে ।

প্ৰতি ক্ষণ প্ৰতি স্থান প্ৰতি বিষয়ত প্ৰভু !
অঁকা আছে তয়ু মহিমাৰে ;
তোমাৰ অনন্ত ছবি সৰ্ব্বত্ৰতে অঁকা আছে
ব্যাপা লিপি বিশ্ব প্ৰকৃতিৰে ।

---

( ১৪ )

জোন বেলি তৰা আকাশ ডাৱৰ
গছ লতাফুল ছন্দেৰে
তোমাৰি কবিতা বিৰচিত প্ৰভু !
মনোমদ পুষ্প গোন্ধেৰে ।

পশু পক্ষী কীট পতঙ্গাদি যাতে
(তোমার) ফুটিছে কবিতা সুর,
মৃদু পবনের বা-ছাটিয়েদি
জাগিছে কবিতা ছুর।
সূক্ষ্ম পটত স্থূল আখরের
ঠাকে ঠাকে সজ্জা নিখুঁত সাঁচেরে
বিশ্ব জোরা এই প্রকৃতি প্রাণেরে
জীবন্ত কবিতা লিখা,
প্রভু! অনন্ত প্রতিভা সৌন্দর্য্যে বঞ্চিত
তোমার কবিতা রেখা।

— —

(১৫)

(তোমার) শঙ্খ এহাতে (লয়ে) আকাশ সৃষ্টি
বিশ্ব ব্রহ্মাণ্ডর থলি,
চক্র এহাতে (লয়ে) কালর গতি
ক্ষণে গইছে চলি।
গদা এহাতে (লয়ে) নিয়ম বৃত্তি
জন্ম মৃত্যু ভেকাকাল,
পদ্ম এহাতে (লয়ে) বিশ্ব সৃষ্টি,
প্রভু! তোমার চতুর্ভুজ ভাল।
প্রভু! রজগুণ তোমার ব্রহ্মা তুমি,
চরজিছাঁ বিশ্বখন,
সত্বগুণ তোমার বিষ্ণু তুমি
পালি আছাঁ জীবগণ।

তমোগুণ তোমাৰ কদ্ৰ তুমি
সংহাৰিছাঁ কাল হই,
(ই) তিনিৰূপ তোমাৰ বিশ্বময় তুমি,
তুমি সৃষ্টি-স্থিতি-লয়।

প্ৰভু! তুমিয়ে পুৰুষ পৰমাত্মাৰূপ
নিৰাকাৰ নিৰঞ্জন,
তুমিয়ে প্ৰকৃতি বিশ্ব-স্বৰূপ
ভবলীলা নিবন্ধন।
সৰ্ব্বত্ৰতে তুমি নিচিনোহে আমি
সংসাৰ চাকত ঘূৰোঁ,
হিয়াতে আছাঁ মোৰ বিশ্বস্বামী!
(তোমাৰ) বাহিৰত বিচাৰি ফুৰোঁ।

---

( ১৬ )

প্ৰভু! তোমাৰ ৰচিত সত্য জগতত
সত্য বিচাৰি ফুৰোঁ,
এফাল তাৰে বুজিব নোৱাৰি
অসত্য বুলি এৰোঁ।
এভাগক ভাবোঁ নিজৰ আপোন,
এভাগক ভাবোঁ পৰ,
এভাগক ভাবোঁ বিশাল শকতি,
এভাগক ভাবোঁ জড়।

আন্ধাৰত থাকি আলোক বিচাৰি
আলো লৰ খোজোঁ আন্ধাৰক এৰি
আলোক আন্ধাৰ দুয়োকে পাহৰি
পাচোঁহে আকাংক্ষা এৰোঁ।
তোমাৰ ৰচিত সংসা জগতত
সত্য বিচাৰি ফুৰোঁ।

---

## ২—বুৰঞ্জী গীতি থুপি

### ( ১ ) চৰাই দেও।

নমস্কাৰ কৰোঁ, হে চৰাই দেও !
আহোম ৰাজ্যৰ ভেঁটি,
পাঁচ শ বছৰ আগে গিৰিবৰ !
দেখালা বিক্ৰম অতি।

স্বৰগৰ দেৱ আহোম সূৰ্য্যৰ
ভূমিয়ে উদয়গিৰি,
তোমাৰ উজ্জ্বল শৃঙ্গম্লান আজি
কালৰ ছাঁয়াত পৰি।

ৰাজপুৰি গুচি হলা আজি তুমি
চাফ বা'গছাৰে পুৰ,
তোমাৰ বুকুত ঘাইছে সঘনে
চৈঙ্গৰ কুণীয়ে কোৰ।

আহোম ৰাজ্যৰ পুৰাত ( তেতিয়া
বাৰশ উনত্ৰিশ চন ),
বুৰঞ্জীত অঁকা তোমাৰ মুৰতি
সমুজ্জ্বল বিতোপন।

উদিল গোনতে চুকাফা কাঁচলি
উজ্জ্বল পতাকা লই,
চুতেউফা, চুবিন্ফা, চুখাংফা, চুখ্রামফা
একন-একন কই,

চতুফা আৰু ত্যাও থাম্‌থিলৈ
সাতজনা স্বৰ্গদেৱে,
এশ-তিনি-কুৰি বছৰ ইয়াতে
ৰাজ্য শাসিছিলে তেৱে।

চৰি। তেতিয়া তোমাৰ মহত্ব অসীম
তোমাৰ গৌৰৱ গান,
বুৰঞ্জীয়ে আজি প্ৰতিধ্বনি কৰে
শুনিলে জুৰায় প্ৰাণ।

( আজি ) তোমাৰ বুকুৰ পখীয়েও গাইছে,
আহোমৰ ধ্বংস গাথা,
( আজি ) তোমাৰ বুকুৰ তৃণে পাতে আঁকা
আহোমৰ স্মৃতি কথা।

মৰান, বৰাহী আদিৰাজ্য যত
তুমিয়ে পেলালা ওৰ,
তোমাৰ ভৈয়ামে তোমাৰ কাৰত
সম্ৰমে দোৱালে মূৰ।

পুৰণি কলীয়া ছুটীয়া ৰাজ্যও
তোমাতে মানিলে ঘাটি,
মহা পৰাক্ৰমী কমতাপুৰেও
ৰখিলে মিতিৰ পাতি।

তোমাৰ সমান নাছিলে তেতিয়া
বলবীৰ্য্য পৰাক্ৰম,
প্ৰমাণ তোমাৰ অসম-গৌৰৱ
আজিৰ "আহোম" নাম।

তথাপি অচল! একে ভাৱে তুমি
পূৰ্ব্বাপৰ আছোঁ চাই,
তোমাৰ বিহনে শোকগীতি মোৰ
শুনোতা কেওঁ যে নাই।

গোচৰ কৰিছোঁ শুনা গিৰিবৰ!
মোৰ এটি নিবেদন,
আছিলে তোমাৰ গৌৰৱ বিভৱ
অসম আহোমগণ।

সেই সকলৰ নাতি-পুতি তুমি
চিনিয়ে নাপাবা আজি,

ভোদা কেলেহুৱা নিঃকিন হই
ঘূৰিছে ভিকহ খাতি।

যাৰে তাৰে পায় নেওচা-কেওচা
সমাজত নাই ঠাই,
বিজিত জাতিয়ে পূৰ্ব্ব প্ৰতিশোধ—
ঘিণৰ চকুৰে চায়।

কব পাৰিবানে দূৰদৰ্শী গিৰি।
তুমিতো অন্তৰযামী?
আৰু কাহানিবা মানুহ হয়নে
হোজা অসমীয়া আমি?

হৈছোঁ যদিবা দুখীয়া নিছলা
নাই বিদ্যা বুদ্ধি বল,
পৰিছোঁ যদিবা কালৰ পাকত
সকলো জাতিৰে তল।

এতিয়াও তেও আমাৰ শিৰত
অসমীয়া তেজ বয়,
ভাই সকলৰ দুৰদশা দেখি
হিয়া কাটোঁ কাটোঁ হয়।

হৈছোঁ যদিও আপোন পেটীয়া
স্বাৰ্থ হিংসাৰ দাস,
তথাপিও আছে—দেৱৰ বীৰ্য্য—
হিয়াত অমৰ আশ।

আজিও হে দেৱ! অসমীয়া নামে
সহোদৰ হেন বুজোঁ,
তেজৰ সলনি জাতিৰ মঙ্গলে
চকুৰ লোৰে পূজোঁ।

কোৱাঁ গিৰি! কোৱাঁ, পৰিবনে হেৰা
আমাৰ দুৰ্গতি ওৰ?
পাৰিবনে বাক মানুহ বোলাব
জাতি ভাইহঁতে মোৰ?

---

## (২) চৰগুৱা।

---

স্বৰ্গৰ স্বৰূপ তুমি চৰগুৱা হবি!
আছিলাঁ এদিন যেবে,
অসম আহোম সবে
দেখালে মহত্ব নিজ সামৰাজ্য জুৰি।
( মৰ্ত্ত্যত নিৰ্ম্মিলে এই স্বৰগীয় পুৰি। )

পৰেহি মনত সেই চৌধ্য-শ চন ;
বামুনৰ প্ৰতিপত্তি
তেতিয়াৰে উৎপত্তি
"বামুনি কোঁৱৰ" যেবে উঠে সিংহাসন
চৰগুৱা ৰাজধানী পাতি বিতোপন। *

আহোমৰ সেই এক কি যে কালক্ষণ,
গৰ্ভৱতী কুঁৱৰীক
দেৱগঢ়া লখিমীক
খিয়ালত সতিনীয়ে দিলে বিসৰ্জ্জন।
হাবুঙীয়া বামুনৰ বিধি সুপ্ৰসন।

ৰাজবধু কুঁৱৰীৰ আশ্ৰয় বামুনে
ৰাজপুত্ৰ তুলি ললে,
পালে তাৰ লগে লগে
ৰাজ ক্ষমতাৰ ভাগ আহোম শাসনে
লক্ষ্মী অভিশাপ পালে ৰাজবংশীগণে।

তেতিয়াৰ এই চৰগুৱা নগৰতে—
চুডাংফা, চুজাঙফা,
চুফাকফা, চুচেন্‌ফা,

* ত্যাও খাম্‌থি স্বৰ্গদেৱ ছুটীয়া ৰাজ্য আক্ৰমণ কৰিবলৈ যাওঁতে বৰ কুঁৱৰীৰ গাত ৰাজ্যশাসনৰ ভাৰ থকাৰ সুযোগত আগলৈ সতিনীৰ পুত্ৰ ৰজা হব এই হিংসাত মিছা-কৈয়ে ডাঙৰ অপৰাধত পেলাই বৰ কুঁৱৰীয়ে সৰু কুঁৱৰীৰ প্ৰাণদণ্ডৰ আদেশ দিয়ে। বধিবলৈ নিবৰ সময়ত সগৰ্ভা দেখি বুঢ়া গোহাঁই ডাঙৰীয়াই ভুৰত তুলি দিহিঙত উটাই দিয়ে। তেওঁ উটি উটি গৈ হাবুং পায়গৈ। হাবুঙত এক ব্ৰাহ্মণৰ ঘৰত কোঁৱৰৰ জন্ম হয় আৰু তাতে ৯ বছৰ বয়সলৈকে থাকে। সেই কোঁৱৰ ১৩৯৮ চনত আহোম ৰাজপাটত উঠে ; এওঁৱেই বামুনীকোঁৱৰ নামে খ্যাত।—পদ্মনাথ বৰুৱাৰ বুৰঞ্জী।

চুহানফা, চুপিমফা বজাগণে ক্ৰমাগতে
এটি শতাব্দী ব্যাপি ৰাজধানী পাতে !

কোচৰজা বিশ্বসিংহে চুহানফাৰ কালে,
আহোমক আক্ৰমিলে,
হাৰমানি উভটিলে,
টঙ্গক নগাই আহি দুৱাৰ সুঁজিলে,
শেহত সম্পূৰ্ণে হাৰি শৰণে পশিলে।

হেৰা চৰগুৱা ! তুমি অতীতৰ স্মৃতি,
কালৰ কুটীলা গতি
(আজি) তোমাৰ কি দুৰগতি
বাঙ্কস্থান হ'লা আজি কিহৰ বসতি !
তোমাৰ বিলাই দেখি যায় হিয়া ফাটি !

কোনেনো বুলিব হায় ! তোমাক নগৰ,
নিৰপেক্ষ বুৰঞ্জীয়ে
মাথোঁ আজি সাক্ষী দিয়ে,
সাক্ষী আৰু নাতি-পুতি আহোম বংশৰ,
আৰু ভগ্ন অংশেৰ তোমাৰ বুকৰ।

তোমাৰ ভাগ্যৰ দৰে ভাগ্য আহোমৰ,—
আহোম নগণ্য আজি,
পৰাক্ৰম, বস্তু বাজি,
ৰজা, বীজশক্তি, ধৰ্ম্ম, প্ৰেম স্বদেশৰ,
পূৰ্ব্বৰ গৰিমা একো নাই সিসবৰ !

পাৰ্বানেকি কব পুৰি ! কাৰ অভিশাপে
অধোগতি আহোমৰ—
গৰ্ব্বী ইন্দ্ৰ বংশৰ ;
নিজকে নেজানে নিজে কোন্ ঘোৰ পাপে,
কাহানি দহিব এই পাপ অনুতাপে ?

(৩) বকতা।

এয়ে নেকি সেই বকতা নগৰ ?
স্বৰ্গ নাৰায়ণ স্বৰ্গদেৱে
দুকুৰি বছৰ ৰাজ্য শাসনৰ
কেন্দ্ৰ ৰাজধানী কৰিলে তেৱে।

পোন্ধৰ শতিকা আহোমৰ দিন,
আহোম তেতিয়া দিগ্বিজয়ী ;
কুৰি শতিকাৰ আহোম আজি যে
নহয় হিংসা থিয়ালো জয়ী !

আশ্চৰ্য্যৰ কথা, এই আহোমেই
সেই আহোমৰ সন্ততি হেনো !
এওঁলোক হেনে চীন্ চান্ আদি
মঙ্গোলীয়া জাতি অঙ্গহী ;—জানো !

বকতা নগৰ তুমিয়ে কোৱাচোঁ
তুমিতো জানিছাঁ সকলো কথা,
হয়নে অহম সেই ইন্দ্ৰবংশী
ৰাজবংশী জাতি সচাঁনে মিছা ?

তোমাৰে বুকুতে স্বৰ্গ নাৰায়ণে
কেনে পৰাক্ৰমে শাসিলে দেশ,
তেওঁৰ দিনৰ অসম ৰাজ্যৰ
উন্নত মুৱা উজ্জ্বল বেশ।

সেই স্বৰ্গদেৱে চুটীয়াৰ ৰজা
নিজ শাসনৰ কৰিলে তল,
"কুবেৰ দত্ত সম্পত্তি" সমে
সাধনী ৰাণীও অধীনী হল।

কছাৰী ৰজাৰ সেনাপতি ডেচ্ছে
মৰ্বাঙ্গি কোঁঠত দিছিলে ৰণ,
অসম সেনাৰ প্ৰতাপত হাৰি
ৰজাত জনালে সৰ্ব্ব বিবৰণ।

ৰজা খুন্ তৰায়ো যুদ্ধত হাৰি
ডিমাপুৰ এৰি পলাই গল,
ডেট্চুং নামে আন ৰজা এক
আহোম ৰজাৰ তলত হল।

পোন্ধৰ শতিকা সাতাইশ চনত
কলিয়াবৰৰ প্ৰথম ৰণ
দিগ্বিজয়ী সেই তুৰ্বক আহি
সেনাপতি কাটি জিনিলে ৰণ।

* ১৫২৩ চনত চুটীয়া ৰজা নীতিপালৰ সময়ত চুটীয়া ৰাজ্য আক্ৰমণ কৰি আহোম ৰাজ্যত চামিল কৰা হয়।—পদ্মনাথ বৰুৱাৰ বুৰঞ্জী।

পাচ বছৰত তুৰ্‌বক আহি
ডিকৰাই মুখ পালেহি যেই,
আহোম সেনাৰে পাঠান সেনাৰে
সন্মুখা সন্মুখি লাগিল সেই।

কন্‌চেঙ্গ বৰপাত্ৰ সেনাপতি
লগত বাহিনী অসম বীৰ,
সন্দপ ৰণত তৰোৱাল ধৰি—
ছেই দিলে তুৰ্‌বকৰ শিৰ।

বাকী পাঠানক পালখেদা দিলি
কৰতোৱা নৈ কৰিলে পাৰ,
কত হাতী ঘোঁড়া ন-শ বন্দীৰে
লভিলে বন্দুক ফিণ্টে-থাৰ।

এই ৰণতেই ৰণচণ্ডী ৰূপা
বৰগোহাঁয়নী মূলা গাভৰে *
স্বামীহন্তা তুৰবক সতে যুঁজি
ৰণত জীৱন বলি দিয়ে।

যি আহোমৰ তিৰোতায়ো হাঁয়!
ৰণত এদিনা দিছিলে প্ৰাণ,
সেই অসমীয়া বীৰৰ সন্ততি
কেলেহুৱা আজি প্ৰৱৰ্ত্তা টান্।

---

* কলিয়াবৰৰ প্ৰথম যুদ্ধৰ সেনাপতি ফাচেঙ্‌মুঙ বৰগোহাঁইৰ ভাৰ্য্যা।

এৰাপৰলীয়া ৰকতা নগৰ!
তেতিয়া তোমাৰ সমৃদ্ধি অতি
কালৰ পাকত হইছেহি আজি
আহোমৰ দৰে তোমাৰো গতি

---

## (৮) গড়গাওঁ।

শিলেৰে বন্ধাই বুকু বৰ আশা কৰি
আহিছিলো গড়গাওঁ পুৰী চাবলই।
হায়! নিদাৰুণ স্মৃতি
অসম অসীম কীৰ্ত্তি
—যেনিয়ে ঘূৰাওঁ চকু ধৈৰ্য্যহীন হই,—
হৃদয়ত কি যে ভাবে হওঁ তন্ময়।

অসমৰ কীৰ্ত্তি চিন হেৰা গড়গাওঁ।
চকু জুৰাব বুলি ঘূৰি পাকি চাওঁ,
(যেন) মৰুভূমি মাজে গই
আশা পালো পানী নই!
হব কি সম্ফল আশা—দিশ্ হেৰুৱাওঁ,
মৰীচিকা দেখি পানী বুলি খেদি যাওঁ।

হৃদয়ৰ শোক গাঁথা সদা জুৰোঁ গাই,
সংসাৰ বৈৰাগী মই—শান্তি কতো নাই!
শুনোতা যে নাই কেওঁ,
গাই দুখ পাতলাওঁ

নগৰে প্ৰান্তৰে পথে আকাশ কঁপাই,
প্ৰতিধ্বনি নিলগত উঠে—"হাঁয় ! হাঁয় '

কিয় মোৰ এই ভেশ শুনা পুৰি কণ্ড,
আহোম বংশৰ মই সন্ততি হণ্ড
মোৰ জ্ঞাতি জাতি ভাই
সকলো বচেৰা হাঁয়।
গোখোজত পৰিলেও কলে কাণ্ড-বাণ্ড ,
সামান্য স্বাৰ্থতে ব্যস্ত যাকে দেখা পাণ্ড

কাক লই বাক মই পাতিম সংসাৰ ?
প্ৰেম প্ৰীতি বান্ধ হীন সংসাৰ অসাৰ।
লইছোঁ ব'ৰাগী বেশ,
পৰ্য্যাতি ফুৰিছোঁ দেশ,
ভ্ৰমিছোঁ পৱিত্ৰ তীৰ্থ অসম ৰাজ্যৰ
পাদস্পৰ্শ ভূমি চাও বীৰ আহোমৰ।

হেৰা গড়গাওঁ তীৰ্থ পবিত্ৰ নগৰ '
নিঃকিন পশিছোঁ বুলি নধৰঁা জগৰ ,
স্বৰ্গদেৱ নাই আজি,
নাই সেনা গজ বাজি,
নাই ৰাজ্য আছে চিন্ অৰণ্য-নগৰ,
স্মৃতিস্তম্ভ মাত্ৰ হই সেই সকলৰ।

স্বৰ্গদেৱ চক্ৰেশ্বজে ( গড়গঞা বজা)
পোদ্ধৰ শ চলিছত গডগাওঁ পতা।

কত আলি কত গড়
বাজবাটী কত ঘব
বমক্ জমক নাই, আছে ভগা চিন্,
কৰিছে নিৰ্দেশ সেই আহোমৰ দিন।

কোচ ৰজা নৰনাৰায়ণৰ আদেশ
ৰাজভাতৃ চিলাৰায়ে আহোমৰ দেশ।
সিকালতে আক্ৰমিলে
আহোমৰ হোঁহকালে,
নাৰায়ণপুৰ পাই কৌঠ মাৰি ব'ল;
"গোহাঁই কমহা আলি" তেতিয়াই হল।

আহোম সেনাই পাছে পিছলা তীৰত
আগভেটি কোঁঠ পাতি বল সিকালত।
তাতো গৈ চিলাৰায়ে
আহোমতে ৰণ দিয়ে,
—স্বৰ্গদেৱ চুক্লেম্মুং স্বয়ং ৰণত—
ভঙ্গ দিলে চিলাৰায় হই গৰ্ব্বহত।

চুখাম্ফা কোঁৱৰ উঠি পিতৃসিংহাসন
তিনি কুৰি বৰ্ষ কৰে সুদীৰ্ঘ শাসন।
সিকালতো চিলাৰায়ে
ৰণলই সৈন্য নিয়ে;
লগুণ পিন্ধাই সেনা আহোমে ৰাখিলে,
ব্ৰহ্মবধ ভয়ে চিলাৰায়ে ঘুৰুঁজিলে।

---

* পদ্মনাথ বৰুৱাৰ বুৰঞ্জী।

ৰণত লগুণ পিন্ধা আহোমৰ সেনা
আহোম ছুটিয়া নৰা নানা জাতি সনা,
"বামুণ" হৈয়েই বল,
বামুণেৰে মিলি গল,
শেহত অনেকে কলে, "পছিমৰ অনা"
অসমীয়া "বাপুদেউ" এনে কতো জনা।

আহোমৰ প্ৰবঞ্চনা বুজি চিলাৰায়ে
আকৌ এবাৰ আহোমৰে ৰণ দিয়ে।
এইবাৰ হকৰালে,
কিন্তু, মিত্ৰ পাতি থলে,
সকলা কুঁৱৰী দিলে চুখাম্‌ফাৰ বিয়া,
আহোম কোচৰ ৰজা হল সম্বন্ধীয়া।

স্বৰ্গী হল স্বৰ্গদেৱ বুঢ়া বয়সত ;
চুচাংফা কোঁৱৰ উঠে সিংহ আসনত ।
বুদ্ধি স্বৰ্গ নাৰায়ণ
হিন্দু নাম বিতোপন,
আঠত্ৰিছ বৰ্ষ এওঁ খায় ৰাজপাট
আলি দ'ল গড় থলে কীৰ্ত্তি অসংখ্যাত।

আৱাৰ চালাম নামে এক সেনাপতি
আহি কৰিছিলে যুদ্ধ আহোমৰে সতি !
আহোম ৰণুৱা গই
সৈন্য সমে বন্দী কই

সেনাপতি আৰাবক ধৰি আনিছিলে,
গড়গাওঁ ! ইয়াতেই বান্ধি ৰাখিছিলে।

কৰতোৱালৈকে বাঢ়ে সীমা সাম্রাজ্যৰ
পৰিল কোচৰ ৰজা তল আহোমৰ !
যবনেৰে সন্ধি হলে
বৰফুকণক থলে
তৃৰলী শাসনকৰ্ত্তা নাম অসমৰ।
গুৱাহাটী ৰাজধানী হল 'সজনৰ।

কছাৰিয়ে আহি কৰিছিলে উৎপাত
আহোম সেনাৰে ৰণ লাগিল বহাত।
কছাৰী পলাই গল,
আহোমেও খেদি পল,
পৰিল কছাৰী ৰাজ্য আহোম-হাতত ;
সোন্দৰ গোহাঁইক পাতি থলে সি ৰাজ্যত।

কত কম গড়গাওঁ ! তেতিয়াৰ কথা,
আহোমৰ পৰাক্রম সিবে শোকগাঁথা !
সূৰ্য্য হেন আহোমৰ
জ্যোতি ভৰ ভূপৰৰ
কিৰণ অসম জোৰা পৰি আছে চিন্,
"আহোমৰ দিন" সেই আহোমৰ দিন ;

চুচেংফাৰ ৰুৰপুত্র চুৰমফা কোৱঁৰ।
তিনি বৰ ৰজা হয় আহোম ৰাজ্যৰ !

তিৰোতা সেকৰা হেতু
হল যেন ধূমকেতু,
ৰাজ্যলৈ কান মন নিদিছিলে বৰ।
তেওঁৰ পাচৰ ৰজা চুতিান্ফা কোৱঁৰ।

এওঁৰ দিনতে হয় ডফলাৰ ৰণ
ৰণলৈ পঠিয়ালে গোহাঁই দুজন।
উভটিলে হাৰ মানি,
দুই সেনাপতি ভাঙ্গি
আন সেনাপতি পঠিয়ালে তেতিক্ষণ,
হাৰ মানি ডফলাই পশিলে শৰণ।

লক্ষমা নগাই ৰাজা বিদ্ৰোহ কৰিলে,
ডফলা জিকাক সেনা পঠিয়াই দিলে,
নগাইঁত ঘাটি গল,
বিদ্ৰোহীৰ শাস্তি হল,
নগাৰ ৰজাই পাচে শৰণ মাগিলে,
নগাৰ শাসনো ৰল আহোমৰ তলে।

তাৰপাচে ৰজা হয় চুতামলা কোৱঁৰ।
( ষোলশা-চৌৱন্ন চন ) আহোম ৰাজ্যৰ।
"মাছখোৱা" "কেৰি মেৰি"
দুই গড় আদি কৰি
কীৰ্ত্তি চিন আছে দেৱোত্তৰ ব্ৰহ্মোত্তৰ,
হিন্দু নাম জয়ধ্বজ সিংহ সিজনৰ।

এইজনা স্বৰ্গদেৱে হিন্দু অনুসৰি
হিন্দুধৰ্ম্ম দীক্ষা লয় বুদ্ধধৰ্ম্ম এৰি।
ৰাজগুৰু নিৰঞ্জন
হল বাপু বিচক্ষণ
বামুণৰ প্ৰতিপত্তি এদোকে চৰিল,
আহোম ৰাজ্যৰ ধ্বজা ইয়াতে লৰিল।

আহোমৰ অধঃপাত হয় তাৰ ফলে,
গীতাৰ মহতি বাক্য যাবকি বিফলে,—
"স্বধৰ্ম্মে নিধনং শ্ৰেয়ঃ
১ পৰধৰ্ম্মো ভয়াবহঃ।"
এৰি নিজ বৌদ্ধ-ধৰ্ম্ম হিন্দুধৰ্ম্ম ললে,
সেই পাপে আহোমৰ গতি ৰসাতলে।

সিকালত মিৰজুম্লাৰ আক্ৰমণ
স্বৰ্গদেৱে ততালিকে নকৰি বাৰণ
ৰজা প্ৰজা সমে দূৰ হল
শূন্য ৰাজ-ধানী ৰল
মোগল সোমাল গৈ উদং নগৰ,
নুবুজিলে সি যে এক ব্যূহ আহোমৰ।

বাৰিষাৰ বানপানী আহি যেতিয়াই
গড়গাওঁ ঘেৰি ললে বাটপথ নাই,
খাদ্যৰ নাটনি হল,
অহনিতো কতো গল,

এই সুযোগতে আহোমৰ বন্ধুবাই
বেৰি ধৰি মোগলক দিলেহি ঘটাই।

মহাশঙ্কটত পৰি মিৰ্জুম্লাই
সন্ধিৰ প্ৰস্তাৱ কৰে হই নিৰুপায়।
স্বৰ্গদেৱ মান্তি হই
দিয়ে সালঙ্কৃতা কই
"ৰমণী গাভৰু" বিয়া বাদছাহে লই
বেটী বন্দী ঘোঁড়া হাতী—যৌতুক নথই।

জয়ধ্বজ সিংহ ৰজা হই অসমৰ
মহা প্ৰতাপেৰে ৰাজ্য পালে ন-বছৰ।
"ৰমণী গাভৰু" পালে
বাদছাহে ভাবি ললে
শৰণীয়া হল আৰু ৰজা অসমৰ
পাব পেচ্‌কচ চৈ প্ৰত্যেক বছৰ।

কিন্তু সি বাসনা যেবে নহল পূৰণ
আহোম নহয় তল, দিব খোজে ৰণ,
মহাক্ৰোধে দিল্লীশ্বৰে
যুঁজিবলে আহোমৰে
* চানা আৰু ফিৰোজৰ সেনাপতিত্বত
পঠিয়ালে মোগলৰ সেনা অসংখ্যাত।

হাৰিলে মোগল যেবে ভঙ্গ দিলে ৰণ
চানা ফিৰোজক বন্দী কৰি তেতিক্ষণ

* চৈয়দ চানা আৰু চৈয়দ ফিৰোজ।

গড়গাওঁলৈকে আনে
অৱশিষ্ট সৈন্য মানে
মানাহাৰ মুখলৈকে খেদি পঠিয়ালে
আহোমে বহুত অস্ত্র শস্ত্র কাঢ়ি ললে।

ৰণৰ বাতৰি পাই 'জগৎ ঈশ্বৰ' *
জ্বলিল আওৰেঙ্গেৰ যেন বৈশ্বানৰ।
—এইবাৰ এইবাৰ—
ৰক্ষা কৰে সাধ্য কাৰ।
নিশ্চয় অসম ৰাজ্য হব চাৰখাৰ,—
মহা আয়োজন হল মোগল বজাৰ।

ৰাজপুত বীৰ ৰজা ৰামসিংহ নাম,
ভাৰত বিখ্যাত যোদ্ধা, শৌৰ্য্য অনুপাম,
হৈ বৰ—সেনাপতি,
অনেক বাহিনীপতি
নচৰত্‌খাঁ, ৰঘুনাথ সিংহ, আদি কৰি
আহোম ধ্বংসৰ হেতু আহে দৰ্প কৰি।

কোচবিহাৰৰ সেনা লগত ইবাৰ
বিখ্যাত ধণুৰা কাঁৰী পোন্ধৰ হাজাৰ।
ত্রিসহস্র অশ্বাৰোহী
সুনিপুণ অস্ত্রধাৰী,
ওঠৰ হাজাৰ যোদ্ধা পদাতিক সেনা,
সেনাপতি ৰামসিংহ আৰু কিকেজনা।

* "দিল্লীশ্বৰো বা জগদীশ্বৰো বা"—মহাপ্ৰতাপী মোগল ৰাজৰ আখ্যা।

ইফালে আহোম বীৰ নাচিত ফুকণ
লাই সেনাপতি আৰু সেনা অগণন
গুৱাহাটী ওচৰত
হই মহা উনমত্ত
মোগল বাহিনীলৈ বাট চাই বল,
শৰাই ঘাটত পাচে ঘোৰ যুদ্ধ হল।

সপ্তাহ মাহেক ক্রমে ছয় মাহ যায়
অসম-মোগল কাৰো পৰাজয় নাই।
জল যুদ্ধ, থল যুদ্ধ,
ঘোঁড়া যুদ্ধ, কাঁৰী যুদ্ধ,
বন্দুকৰ শবদত কাণ ফাটি যায়,
মৰিল ৰণুৱা কত লেখযোখ নাই।

এজন এজন কই মছলমানৰ
সেনাপতি পৰি গল হাতে অসমৰ,
ৰামসিংহ অৱশেষ
পৰাক্রম নাই শেষ
শেহাস্তত কি কৰিব তিষ্ঠিব নোৱাৰি
ভঙ্গ দিলে বীৰবৰ যুদ্ধস্থল এৰি।

ৰবটোপ যুদ্ধ নাও কত এৰি গল,
কতনো বাৰুদ যাৰ আহোমৰ হল!
ষোলশ উনষাঠী চন,
ৰণ হল সমাপন;

ৰামসিংহে প্ৰশংসিলে শৌৰ্য্য অসমৰ,—
"এনে পৰাক্ৰমী জাতি নাই ভাৰতৰ।

যি দিনা বিজয়দৰ্পে লাচিত ফুকণ
সসৈন্যে ঘূৰিল জিনি দুৰ্ঘোৰ ৰণ,
পালে পালে মোগলৰ
বন্দী সেনা নিৰন্তৰ,
ধৰি আনি পোৱালেহি এই গড়গাওঁ,
পদভৰে বসুমতী ফাটি যাওঁ যাওঁ।

ডবা ঢাক তুৰ্য্য ভেৰি—ৰণবাদ্য বোলে
আহোমৰ জয়নাদ আকাশ লঙ্ঘিলে।
হৃষ্ট পুষ্ট নৰনাৰী
আহে যায় শাৰী শাৰী
স্বাধীন গৌৰৱ আভা উদ্ভাষিত হই
ৰণ-জিকা বন্ধু-বান্ধ দেখা পাব লই!

তোমাৰ গৌৰৱ পুৰি! সেই সময়ৰ
হিয়া নাই মোৰ অনুভৱ কৰিবৰ!
সাহ-পিত বুদ্ধি-বল
পৰিল সকলো তল,
অসম-আহোম আজি আহাৰ-কাঙাল
অৱশেষ মাত্ৰ চিন্ জকা-হাৰ-ছাল।

জয়ধ্বজ সিংহ স্বৰ্গদেৱে এইদৰে
পাঁচবৰ্ষ ৰাজ্য পালে মহা প্ৰতাপেৰে।

ৰাজ্যৰ উন্নতি সাধি
হল পাছে স্বৰ্গবাসী
আহোম গৌৰৱ ৰাশি ৰাখি চিৰদিন
'আহোমৰ দিন' সেই 'আহোমৰ দিন'।

চুতিংফা কোঁৱৰ উঠি সিংহ-আসনত
ত্ৰবছৰ ৰজা হয় অসম ৰাজ্যত।
( উদয়-আদিত্য নাম
হিন্দুনাম অনুপাম,
ষোল-শ সত্তৰি চন ) লই ৰাজ্য ভাৰ
সাধিছিলে নানা হিত ৰাজ্যৰ প্ৰজাৰ।

এওঁৰ দিনতে পুনু ৰামসিংহ আহি
সৈন্য সমে, আহোমক জোকাইছিলেহি।
এইবাৰো ঘাটি হল,
বৰ সেকা পাই গল,
পলাল মছলমান বঙ্গদেশ লই,
ৰজা ৰামসিংহৰ কি চাবা বিলৈ!

তাৰপাচে দুবছৰ অসমৰ ৰাজ
চুক্লামফা, হিন্দুমতে নাম ৰামধ্বজ।
ভেউঁৰি ছুটীয়া হঁতে
তেতিয়া বিদ্ৰোহ পাতে,
মিছিমিৰ বিদ্ৰোহৰো হয় সূত্ৰপাত,
ৰাজ-সেনা গৈ পাচে দমায় উৎপাত।

চামগুৰি ফৈদৰ চুহুং কোৱঁৰ
তেৰ মাহ ৰজা হয় অসম ৰাজ্যৰ,
দেৱেৰা বৰ বৰুৱাই
বিহপান কৰোৱাই
হত্যা কৰে, হিংসা তাৰ ডফলা ৰণৰ,
হৰা বুলি স্বৰ্গদেৱে বিকুথিলে বৰ।

কুৰি দিন ৰজা হল গোবৰ কোৱঁৰ
কোৱৰ আছিল তেওঁ তুং খুং ফৈদৰ।
দিহীঙ্গীয়া বঙহৰ
চুজিন্‌ফা কোৱঁৰৰ
তিনিবৰ্ষ লাভ হয় ৰাজ-সিংহাসন,
আত্মঘাটী হয় তেওঁ মন্ত্ৰীৰ কাৰণ।

পৰ্ব্বতীয়া ফৈদৰ চুদৈফা কোৱঁৰ
অসম ৰাজ্যৰ ৰজা হয় দুৰছৰ।
তেতিয়া বৰফুকণে *
গৌহাটীত মনে মনে
ষড়যন্ত্ৰ কৰে ৰজামাটী—নবাবেৰে;
আকৌ মছলমান লাগে আহোমৰে।

এই কাল কালক্ষণ অসম ৰাজ্যৰ
ৰজা ভঙ্গা পতা হাত মন্ত্ৰী সকলৰ;

* গৌহাটীৰ বৰ ফুকণ লালুকসোলা।

আৰু যত বিষয়াৰ
চক্ৰান্তৰ নাই পাৰ,
নগৰতে বেৰি ধৰি দিনতে প্ৰত্যক্ষে
চুদৈফা ৰজাক হত্যা কৰিলে লালুকে।

চামগুৰি কৈদৰ চুলিক্ফা কোঁৱৰক
(লৰা দেখি "লৰাৰজা" নাম সিজনৰ)
ষোল-শ ঊনত্ৰিছ চনে
ৰজা পাতে মন্ত্ৰী গণে,
ছবছৰ মাত্ৰ ৰাজ্য কৰিলে শাসন,
অত্যাচাৰী ৰজা তেওঁ জানে সৰ্ব্বজন।

সিকালত গৌহাটীৰ লালুক ফুকণে
ৰঙ্গামাটী নবাবৰে কৰা চাৰি ৰণ
গুপ্ত ষড়যন্ত্ৰ পাতি
এৰি দিয়ে গুৱাহাটী।
পঠালে ৰজাই বন্দৰক তেতিক্ষণ,
অসমে-মছলমানে পুনু লাগে ৰণ।

ইবাৰো মছলমান ঘাটি ভাগি গল
ৰণ জিকি বন্দৰ বৰ ফুকণ হল।
চুলিক্ফাৰ ৰাজত্বত
সিংহাসন আশঙ্কাত
কতজনা কোঁৱৰৰ অঙ্গ ক্ষত হল
তথাপিও সিংহাসন নিৰ্ব্বিঘ্ন নহল।

তুংখুঙীয়া কৈদৰ লাজি গদাপানি
যাৰ ভাৰ্য্যা জয়মতী সতী শিৰোমণি,
ভীম বিটো আহোমৰ,
তাৰো সৰ্চ মাৰিবৰ
ষড়যন্ত্র কৰিাছলে চুলিক্‌ফা বজাই ;
ভাৰ্য্যানুৰোধত তেওঁ দেশ এৰি যায়।

জয়মতী কুঁৱৰীক সভাত অনাই
স্বামীৰ সন্ধান-বাৰ্ত্তা সুধিলে বজাই।
নিৰাশ্রয় জয়মতী
সঙ্গে শিশু পুত্র দুটি,
তথাপি সতীৰ তাত নকঁপিল প্ৰাণ
"নকওঁ" উত্তৰ দিলে স্বামীৰ সন্ধান।

চাওদাং হঁতে পাচে ৰাজ-আদেশত
সুবিখ্যাত জেৰেঙ্গা পথাৰ মশানত
কুঁৱৰীক বান্ধি ধৰি
নানা বিধ শাস্তি কৰি
যাতনা অশেষ দিয়ে সই লব লই ;
গদা কোঁৱৰৰ বাৰ্ত্তা কৈ দিব লই।

তথাপি নিদিলে তেওঁ পতিৰ সন্ধান,
"নকওঁ" বাহিৰে বাক্য নুবুলিলে আন।
শাস্তি হল যেনে মতে
সুঁৱৰিলে বুকু কাটে !

ৰাজবধূ কুৱঁৰীৰ এখেত বিলই ;
নগাপাহাৰত স্বামী ছদ্মবেশী হই ।

ইকাস সিকান কৰি সতী পীড়নৰ
বাতৰি কাণত পৰে গদা কোঁৱৰৰ
ছদ্মবেশে দুখভৰে
আহি পাচে গদাধৰে
কলেহি জয়াক বাৰ্ত্তা কৈ দিবলৈ,
“স্বামীৰ বাতৰি কই নেমাৰা কেলেই

পীড়নত থাকি তেওঁ স্বামীক চিনিলে
কাতৰ দৃষ্টিৰে ধীৰে দৃঢ়ভাৱে কলে,
“ইবিলাক আছে কিয় ?
গুচি বা নাযায় কিয় !
স্বামীৰ সন্ধান মই নিদিওঁ নিশ্চয়,
ত্যাজিম পৰাণ যদি ব্ৰতভঙ্গ হয় ।”

প্ৰিয়াৰ ইঙ্গিত বাক্য বুজি গদাধৰে,
আঁতৰিল মহাদুখে মনৰ ধিককাৰে ।
জয়মতী মহাসতী
হই মহা দৃঢ় মতি
ক্ৰমাৎ পোন্ধৰ দিন ভুঞ্জিলে যাতনা,
সুকোমল নাৰীদেহে সহিব কতনা !

পঞ্চদশ দিনে যাতনাৰ অৱসান,
পাৰ্থিৱ দেহাৰ পৰা বাজ হল প্ৰাণ ।

নশ্বৰ মাটীৰ দেহা,
স্বাৰ্থৰ সংসাৰ বেহা,
এৰি মৰ্ত্ত্য মোহমায়া পতিপুত্ৰ জ্ঞান,
মহা সতী সতীলোকে কৰিলে প্ৰয়াণ।

পত্নী বিয়োগৰ পাচে উদাসীন হই,
ভ্ৰমিছিল গদাধৰ যতে ততে গই।
বন্দৰ বৰফুকণে
সান্ত্বনা বুজনি দানে
ৰাজ্যৰ কুশল হেতু ৰাজপাট লই
অনুৰোধ কৰি পাচে আনে ৰাজ্য লই।

পত্নী অনুৰোধ স্মৰি, বংশ ৰক্ষণৰ,
স্বদেশ ৰক্ষাৰ আৰু ৰাজ্য শাসনৰ
মান্তি হৈ গদাধৰে
সৈন্য সমে ফুকণেৰে
গড়গাওঁল'কে আহে কৰি অভিযান
মন্ত্ৰী সকলেও তাতে দিয়ে যোগদান।


এই মতে সিংহাসন লভে গদাধৰে,
লৰাৰজা শাসনৰ তাতে ওৰ পৰে।
যোল-শ একাশি চন,
বাইজৰ শুভ ক্ষণ;
উপযুক্ত কোৱঁৰৰ হল ৰাজপাট,
সিংহাসন লই আৰু গুচিল বিভ্ৰাট।

তেতিয়াৰে পৰা তুমি হেৰা গড়গাওঁ
এৰা পৰলীয়া হলা বলমাত্র নাম।
তথাপি শিঙৰি ধাৰ
দৰবাৰ উৎসৱৰ
কেন্দ্রস্থল হই বল তোমাৰ বুকৰ।
যত দিন ৰাজ্য বল ইন্দ্র বঙহৰ।

বিদায় মাগিছোঁ তীর্থ শ্মশান নগৰ।
বহুতীর্থ আছে বাকী, আয়ুস তাকৰ।
দুখীয়া আহোম জাতি,
বংশত দিবলৈ বাতি
আছোঁ মাত্র নাম ধৰি আহোম বংশৰ
ভগ্ন অৱশেষ প্রায় তোমাৰ বুকৰ।

দুখত জনম মোৰ দুখমাত্র সাৰ
দুখীৰ সম্পত্তি মাথোঁ চকুলো দুখাৰ।
পুৰি! তোমাৰ দুৰ্গতি যেনে,
আহোমৰো দশা তেনে;
সহানুভূতিৰ চিন্ সহ-বেদনাৰ
চকুলো এটোপা মোৰ লোৱাঁ উপহাৰ।

---



ৰংঘৰ।

## (৫) ৰংপুৰ।

কলই গইছ ভবি
খৰ খৰ খোজ ধৰি ?
নেজান সুবুজ তই যন্ত্র দৰে সাধ কাম ;
যেনি তই যাব চলি,
( ইয়ে ) ৰজাৰ সেন্দুৰী আলি ;
এয়ে সেই ৰাজধানী ৰংপুৰ যাৰ নাম।

ধন্য হলি আজি ভবি।
এই পথে গতি কৰি,

যি পথেদি চলিছিলে অতীজত স্বৰ্গদেও,
ধন্ত এই যাত্ৰা মোৰ
সহি কায় ক্লেশ ঘোৰ
আহোমৰ তীৰ্থভূমি পাইছোঁহি আজি তেও।

হিয়া! তই ক্ষান্ত হ,
কন্তেক জিৰণি ল;
মন! তই থিৰ হই ৰথখান থমাবি,
চকু! তই নপচাবি
ৰংপুৰৰ ঘৰবাৰী
পিটিকি পিটিকি চাই অন্তৰত আঁকিবি।

ৰংপুৰ ৰাজবাটী
অৱশেষ ভাগি ফাটি
উঁই হাফলুহে যেন দালানৰ আছে চিন্।
সাধৰ কাৰেং ঘৰ
ইন্দ্ৰালয় সমসৰ,
জকাত মাথোন হাঁয়! সোৱৰণি আছে লীন।

যি প্ৰাসাদৰ কোঠা
স্বৰ্ণ মাণিক্যে গোঁঠা,
আলোকমালাৰে থাকে দিনৰাতি সমুজ্জ্বল,
সেই ৰাজবাটী হাঁয়!
আজি চণ-বান নাই,
অন্ধকাৰ গহ্বৰত তাৰ পৰিণতি হল।

যত বহে স্বৰ্গদেৱ
সাধ্য কি পশিব কেওঁ!
খিকিন্দালি কৰি আজি গৰখীয়া লৰায়ো,
তাত উঠি বিহু পাতে
কত যে অশুচি মাতে!
পৰ্ব্বত উলঙ্গে হায়! ভৰি ভগা খোড়ায়ো।

হটাৰে বন্দোৱা গড়
চাৰি মেৰ চৌহদৰ
ভাগি থহি গৈ তাত গছ হাবি গজিছে।
পৰীয়াৰ চৌকি ঘৰ
মত দিয়ে বোন্দাপৰ
ধিপ্‌মাত্ৰ আছে চিন্‌ হাবি বনে ছাতিছে।

অদূৰত ৰং ঘৰ
ঘুঁজ ৰং চোৰা ঘৰ,
যাৰ নামে এই পুৰী—বিঙ্গা বিঙ্গা বাজিছে।
চৌদিশে পথাৰৰ
গাওঁ ভূঁই ওচৰৰ
ম্লান ভাৱ বনে পাতে দীন বেশে সাজিছে।

পূৰে দি দিখৌ নৈ
ধীৰে ধীৰে বৈ বৈ
আপুনি আপোন মনে মন মাৰি চলিছে।

তীৰৰ বি গছ লতা
( যেন ) নকৈ শোকতে কথা
মুখওন্দোলাই হাঁয় ! নৈৰ পিনে চলিছে।

দিখৌৰ উত্তৰ পাৰে
শিৱ দল সাগৰেৰে
পুৰণি নগৰ এয়ে আহোমৰ তেতিয়াৰ,
এতিয়াৰ শিৱসাগৰ
জিলা এয়ে মনোহৰ,
ইংৰাজ ৰজাৰ গুণে হইছে জেউতি চাৰ।

আমোলা বিষয়া যত
দোকানী বেপাৰী কত
সজৌ বিদেশী লোক অধিবাসী আজি তাৰ।
অতীজৰ বিষয়াৰ
পো-নাতী দু এ ঘৰ
চিন মাত্র আছে ৰাখি ভেঁটি মাটি প্ৰপিতাৰ।

শিৱসাগৰৰ পাৰে
বঙ্গলা গিৰ্জা ঘৰে
শিৱ বিষ্ণু দুর্গা দ'ল শাৰী সমে ফেৰ ধৰি
বিতোপন শোভা কৰি
সাগৰ ৰাখিছে বেৰি, .
সিপাৰে বৰ্থীয়া আছে পুলিছৰ প্ৰহৰী।

ৰাজবাটী দক্ষিণত
জয় দ'ল সু উন্নত
জয়সাগৰৰ পাৰে থিয় হই আছে ৰই ;
সন্তান মাহাত্ম্য তথা
আহোমৰ স্মৃতি-কথা
দ'ল পুখুৰীয়ে আছে জ্বলন্ত অঙ্কিত হই ।

সোতৰ-শ শতিকাৰ
মহাৰাজ চুখ্ৰাংফাৰ
স্থাপিত নগৰ এই ৰংপুৰ বঙ্গালয় ।
ইয়াকেই কেন্দ্ৰ কৰি
অসম সাম্ৰাজ্য জুৰি
চলিছিলে শতবৰ্ষ শাসনৰ অভিনয় ।

---

# ৩—কুঞ্জ থুপি।

## (১) ভক্তি আৰু মুক্তি।

ভকতি বিৰহ প্ৰেম, মুকুতি মিলন,
বিৰহত বাঢ়ে স্পৃহা, মিলে সমাপন।
প্ৰেমত আপ্লুত হই প্ৰেমিক ভকত
মুক্তিত নিস্পৃহ, ভক্তিভাৱে গদ্‌গদ।

---

## (২) তৃষ্ণা।

অন্তৰত তৃষ্ণাৰূপ অগনি জ্বলিলে
অশান্তি তাপেৰে হিয়া ডেই পুৰি যায়,
সম্পদ সোপাকে আনি কিহৰ চপালে,
অতৃপ্ত হিয়াৰ তেও তৃপ্তি নপলায়।
তৃষিতে উগাৰি তৃষ্ণা—অশান্তিৰ ভাৱ,
পাই বুলি কৰবাত পতিয়ণ ঠাই,
লগৰীয়া চান্দি ফুৰে প্ৰকাশি যাত্ৰণা,
অতৃপ্ত আকাঙ্ক্ষা তাৰ লগে লগে যায়।

---

## (৩) সাধনা।

সকলো কাঠতে জুই আছে লুপ্ত হই,
নঘঁহিলে উদ্ভাৱন হব কেনেকই ?

ভাগ্যতো যদিহে থাকে ঐশ্বৰ্য্যেৰে ভৰা,
সাধনা নহলে সিদ্ধি হব কেনেকৈ ?

---

## (৪) উপেক্ষা।

যিমানে কি কুকুৰে কামোৰক লাগে
তেওতো আঠুৰ তল ;
শুনায়নে মানুহক কুকুৰ কামুৰি
ললে তাৰ প্ৰতিফল।

---

## (৫) কালৰ প্ৰভাৱ।

আজো ককাইঁতে কইছিলে কল,
আমি নাতিহঁতে খাওঁ তাৰ ফল ;
ধন্য কলিকাল ! কলৰ কি দশা,
কল সক, ঠোকা সক, ঠোকত কম এৰা !

---

## (৬) উন্নতিৰ চানেকী।

উদৰ সাত পুৰুষ মৰি গৈছে কেচা মঙহ খাই,
আমাৰ সাত পুৰুষ মৰি গৈছে কেকোৰা লাঙ্গল বাই
তিন্ মুঠেই উদে পানীত বিচাৰে ডাঙৰ মাছ ;
আমি হলে পিতৃসম্পত্তিও কোবোকত দিওঁ বাহ।

---

## (৭) গালি।

শব্দতন্মাত্রৰ আকাশী চৰগ ভাগি
নপৰিল মই মহা পাপীৰ মূৰত ;
তোমাৰ কৰুণা প্ৰভু ! দু-আষাৰ গালি
ধ্বনি হল মাত্ৰ বায়ু কঁপাই দূৰত ?

## (৮) পৰীক্ষা।

শিক্ষা দিছা প্ৰভু ! জ্ঞান ইঙ্গিতেৰে.
সাধনাও দিছা পুৰুষাকাৰ,
অপূৰ্ব্ব তোমাৰ ইকি ছল পুনু
ইন্দ্ৰিয় বিকাৰ ?— পৰীক্ষা তাৰ ?

## (৯) আকাশী বাণী।

বিশ্ব ব্যাপি আছে বিজুলীৰ শক্তি,
ডাৱৰতহে দেখোঁ বিকাশ হয় ;
বিশ্বব্যাপী মুখৰ আকাশী বাণী
প্ৰকৃতিৰ কাৰ্য্যেহে মাথোন কয়।

## (১০) সহনি।

বইছে ধুমুহা বই যাওক পাৰ হই
তেহে যদি পোৱা ফৰকাল,
আহিল বিপদ, কৰা আক এক্সন্তেক,
পালেহি সম্পদ সুখ কাল।

## (১১) সগুণ আৰু নিৰ্গুণ।

গুণৰেই গুণ পাপ আৰু পুইণ,
পূৰ্ণ মিলনত থাকিব কি ?
সত্ব, ৰজ আৰু তমৰ বিকাশ
পৰব্ৰহ্মৰূপ নিৰ্গুণ সি।

---

## (১২) ভিখাৰী।

এমুঠি মাথোন পালে, দিলে বৰ মোক,
'ঐশ্বৰ্য্য বিভূতি যেন উটৈ নদী হোক।'
মুঠিৰ সলনি যেয়ে বাঞ্চে মোৰ অত,
ভিখাৰী সাজেৰে তেওঁ শিৱ স্বৰূপত।

---

## (১৩) অবিচাৰ।

পুণ্যৰ বিমল সুখ, শান্তি পাতকৰ
নেদেখে অপৰে, বুজে নিজেহে নিজৰ।
অন্তৰৰ সুখ দুখ বাহিৰত নাই,
অন্তৰে অন্তৰে ভোগে অন্তৰে সদায়।
বাহিৰত সমাদৰ দেখি পয়োভৰ
কি বুলিনো কয় লোকে,—তেওঁ সুখী বৰ ?

---

## (১৪) সাধুৰ চিন্।

পদুম বোকাত গজে পাতথিলা চাৰ
পাণীতে ওপঙি থাকে পাণীপ্ৰাণ তাৰ।

কিন্তু চোৰ্ৰা, তেও তাক তিয়াব নোৱাৰে ;
বৰঞ্চ চোৰাই নিয়ে যিবা মলি পৰে।
অথবা হলেও জন্ম ঘিন্‌লগা খনি,
তেওকি ঘিণায় বাক লোকে সোন কনি ?
যিমানেকি পোৰ্ৰা সোন জেউতিছে চৰে,
অগ্নিৰ কোলাত যেন সীতা-সতিহঁতে।
উঠক বিপদ ঢৌ বিঘিনিৰ জুই ;
চিনিবা সাধুক থাকে একনিষ্ঠ হই।

## (১৫) চন্দ্ৰৰ কলঙ্ক।

যেতিয়া আঁউসি হলে চন্দ্ৰ হয় আঁৰ,
জোনাক অভাবে লাগে জগত আন্ধাৰ।
পূৰ্ণিমাত জোন যেবে জ্বলে আকাশত
আন্ধাৰৰ ক্ষুদ্ৰ সাঁচে কলঙ্ক বুকত।

## (১৬) স্পৃহা।

শুহেক সংস্কাৰ জাঁজি নবৰ হিয়াৰ
স্বৰ্গৰ অমিয়া জৰি খৰতৰ উহে
বওক প্ৰেমৰ জুৰি লই শান্তি ধাৰ,
পাওক অমৰ স্বাদ মৰ্ত্ত্যৰ মানুহে।

## (১৭) ঘৰ জেউতি।

দুখতাপ আন্ধাৰত হিয়া হেকয়াউ মই
ঘৰলৈ ওভটোঁ যেতিয়াই,

যৰ জেউতিয়ে স্নিগ্ধ আলোক ছাটিবে
শান্তিপথ দেখায় তেতিয়াই।

---

## (১৮) সাহিত্য।

পুৰুষে সহিতে প্ৰকৃতি মিলন
বিশ্ব সাহিত্যৰ মূল,
আত্মাৰে সহিতে দেহা সম্মিলন
জীৱন সাহিত্য থুল।
উদ্দেশ্য সহিতে কৰম উদ্ভৱ
বিজ্ঞান সাহিত্য থল.
ভক্তিৰে সহিতে সাধনা সংস্ৰৱ
ধৰম সাহিত্য ফল।
জাতীয় জীৱন প্ৰকৃতি সহিতে
যেনেটি বন্ধেৰে গঢ়া,
সেয়েই আমাৰ জাতীয় সাহিত্য—
জীৱনৰ ধ্ৰুৱতৰা।

---

## (১৯) শিক্ষা।

এক শিকে লিখি পঢ়ি, এক শিকে দেখি,
আৰু এক শিক্ষা আছে যাক শিকে ঠেকি।
এক শিক্ষা আওৰোৱা সুবুজি-সুসুজি,
এক শিক্ষা দেখি অনুকৰা মৰি মুজি ;
আৰু শিক্ষা সংসাৰৰ পাক ঠেলা খোৱা—
প্ৰকৃতিৰপৰা চিনি বুজি বাছি লোৱা।

দেখি শিকা, লিখি শিকা—তাম সোন-ঢলা ;
ঠেকি শিকা কেচা সোন সুবগাত গলা।

---

## ( ২০ ) সুখ আৰু দুখ।

ঘিণ-লগা শামুকত মাণিকৰ খণি,
অসতে চিনাই দিয়ে সৎ শিৰোমণি।
অভাবেই আবির্ভাব-মূল
অনুকূলে বাঢ়ে প্ৰতিকূল,
নিৰাকাৰ সাকাৰৰ ভেঁটি
বৈপৰীত্য অস্তিত্ব প্ৰকৃতি।
নহল হেঁতেন যদি দুখৰ চোনি
নেপালোঁ হেঁতেন গম সুখ উলহনি।

---

## ( ২১ ) তপস্যাৰ ফল।

বৰ ভাই অতি গৰবী ৰাৱণ
বল তপস্যাৰ বলে,
মাজু কুম্ভকৰ্ণ দোৰোপা নিদ্ৰালু
সুৰা-ভজনাৰ ফলে ;
সৰু বিভীষণ ধৰ্ম্মপৰায়ণ
জ্ঞান তপস্যাৰ গুণে,
তিনিও বিভিন্ন পথৰ পথিক
আপোন ধাউতি পিনে।

বলী বলিয়াৰ কৃত্রিম প্রভাৱ
কলৈবা কেনিবা গল,
সত্যনিষ্ঠ ধৰ্ম্মী জ্ঞানী বিভীষণ
মৰিও অমৰ হল।

---

## ( ২২ ) সহানুভূতি।

শোকৰ খুন্দাত এৰা থৰ-যুগুতি,
হতাশত জঁয় পৰা ওখ আশাটী,
নিৰাশত কোচ খোৱা
বিপদত পেটা হোৱা
চিন্তাত জুকলা পৰা হই বিকৃতি,
দুৰ্ব্বল হিয়াৰ বল সহানুভূতি।

---

## ( ২৩ ) কৰম কপাল।

গুণৰ বাহিৰে নাই দয়া, ক্ষমা,
নাই দণ্ডবিধি, অজ্ঞান, জ্ঞান ;
বিৰাজে মাথোন চেতন আতমা
সূক্ষ্ম পবিশুদ্ধ প্রকৃতি-প্রাণ।
স্তুতি গালি একো নেযায় তালৈ,
ভাবিও সেইহে নেপাওঁ লাগ ;
নিজে নিজে নিজ কৰ্ম্ম-ফল লই
ভুঞ্জিছোঁ ভবত ভাগ্যৰ ভাগ।

এবি দবে লেটা কুত্তি মায়া যাকে
নিজব সংসাব নিজেই স্রজেঁা,
হই নিজ নিজ শত্রু বন্ধু নিজে
অনিত্য সংসাবে আপুনি মজেঁা।
সংসাব-অৱস্থা বেয়া বা ভাল,
সকলো নিজ কবম-কপাল।

## ( ২৪ ) অহঙ্কাব।

পঞ্চভূত বিনশ্বব
শবীব তাবেই গঢ়া,
ত্রিগুণ মিশ্রিত মায়া
ইন্দ্রিয় বিকাব কৰা।
গুণৰ সংঘৰ্ষ সাধে
নিৰ্গুণৰ অস্তিত্বই,
জন্মে মবে জীৱে তাতে
গুণ কৰ্ম্ম ফল লই।
কৰ্ম্মফল শেষ হলে
সংসাৰৰ পৰে ওৰ,
নিৰ্গুণত লয় পায়
গুণৰ অস্তিত্ববোৰ।
নশ্বৰ জীৱাত্মা দেহা
গুণৰ উদ্দেশ্য ঘটা ;
স্বতন্ত্ৰ মস্তিত্ব নাই
নাই অহঙ্কাৰ-সত্বা

## ( ২৫ ) ৰূপৰ বেহা।

ফুলটি ফুলে ৰূপতে ভুলে
ভুলাই ভোমোৰাকুল,
ৰূপৰ বেহা দেহীৰ দেহা
—বিকাশ বিশ্ব-মূল।
নীল আকাশত জেউতি ভাহে
ৰূপৰ স্ফূৰ্তি বয়,
ৰূপৰ বেহা বিশ্ব আহা,
প্ৰকৃতি বিকাশময়।
ৰূপৰ বেহা মানব দেহা,
ইচ্ছা—দেখক ভাণ,
সাজে পাবে বিৰিঙ্গি পৰে
ভাঙ্গিয়ে ধৰে তাল।

---

# ৪—বিবিধ থুপি ।

## ( ১ ) কবিতা ।

বাহিৰত প্ৰকৃতিৰ পূৰ্ণ পয়োভৰ
—স্ৰজন, পালন, সংহৰণ ;
ভিতৰত পৰমাত্মা প্ৰকৃতিৰ পৰ
নিৰ্গুণ-পুৰুষ নিৰঞ্জন ।
বাহিৰ ভিতৰ মিলি অস্তিত্ব সৃষ্টিৰ
পুৰুষ প্ৰকৃতি সঙ্কলন,
ক্ষুদ্ৰ তাঙৰণ ভাবে জীৱন নশ্বৰ
দেহ আৰু আত্মাৰ স্ৰজন ।
বাহিৰত সংঘটিত ঘটনা তুলৰে
অন্তৰত ভাব আঁকা বুলি,
কবিৰ কাবতা সৃষ্টি বাহিৰে ভিতৰে
ভাব আৰু ভাষা দুয়ো মিলি ।

## ( ২ ) বাল্মীকি-প্ৰতিভা ।

নৌজলে তেতিয়াও কবিতাৰ আভা,
বাল্মীকি প্ৰতিভা লীন দস্যুৰ হিয়াত,

নৰহিয়া উদ্দীপিত কাব্য জ্যোৎস্না প্ৰভা
উজৰি উজৰি যাব যায় হৃদয়ত।

*

কৰ্ম্মফল পথ ভুলি সি'টো জনমৰ
ৰত্নাকৰ দস্যুৰূপে থাকোঁতে ভৱত,
মায়াৰ ঢাকনী ডাঙি বাল্মীকি দেৱৰ,
নাৰদ ঈশ্বৰ দূতে কৰিলে বেকত।

*

স্বৰ্গৰ জেউতি পৰি দস্যু হৃদয়ত
মায়া অন্ধকাৰ হল আলোকত লীন;
উভটি ধৰিলে নিজ পথ সাধনাত,
পুৰুষাকাৰত গল সংস্কাৰ জিন।

*

দৰ হল দস্যুবৃত্তি মায়া অহঙ্কাৰ
নিজ পৰিবাৰবৰ্গ পালনৰ চিন্তা,
দূৰ হল কাম, ক্ৰোধ, লোভ, মোহ, মদ,
মাৎসৰ্য্যৰ আক্ৰমণ বাধ্য বাধকতা।

*

দূৰ হল আত্মপৰ মায়া ভেদ জ্ঞান,
সুখ দুখ, পাপ পুণ্য, ধৰ্ম্ম অধৰ্ম্ম,
বিবেক হিয়াত তাৰ হল মূৰ্ত্তিমান,
ক্ৰমাৎ কৰিলে ত্যাগ সংসাৰৰ কৰ্ম্ম

*

আলোকৰ ছটা এটি তাৰ হৃদয়ৰ
কবিতা ৰূপেৰে সাঁচ বই ৰবতত

ৰামায়ণ মহাকাব্য কীৰ্ত্তি মন্দিৰৰ
জ্যোতিৰ পাতকা যেন উৰিছে চূৰাত।

*

জ্যোতিস্ময় বাল্মীকিৰ প্ৰতিভা জেউতি
বিকীৰ্ণিত হৈ প্ৰতি কবি হৃদয়ত ;
কবিতা জ্যোতিৰে আঁকে অতীতৰ স্মৃতি
উদ্ভাবিত হই আজি কাব্য আকাশত।

---

## (৩) কবিতা আবাহন।

ওলাই আহাঁ মোৰ হৃদয়ৰ বাণী
হে দেবী কবিতা ! চলোৱাঁ পাৱ,
ধৰাঁ আহি সুৰ ললিত ৰাগিণী,
বৰষাঁ হিয়াত অমিয়া ৰায়।

চোৱাঁ—কামনা উদ্বেগ উত্তেজনা যত
সকলো জঞ্জাল আঁতৰি গল,
যত নি কৰুণ তোমাৰ বাধক
এটিও আৰু নোহোৱা হল।
চোৱাঁ—নিজম পৰিছে হিয়া তলি মোৰ,
তুমি—নিশঙ্ক চিতেৰে চলোৱাঁ ভৰি,
ধীৰে ধীৰে দেবি ! নানা-গতি-ছন্দে
অকলে বহাঁহি আসন জুৰি।

ললি ভাবৰ লাজুকি ভঙ্গিমা
ছন্দে সুৰে আহা ! বিৰিঙ্গি ফুটে

কাব্য বসনৰ ঢাকনীতো যেন
ৰূপৰ মাধুৰী জিলিকি উঠে!

ওলাই আহাঁ মোৰ হৃদয়ৰ ৰাণী
হে দেবী কবিতা! চলোৱাঁ পাৰ
ধৰাঁ আহি সুৰ ললিত ৰাগিণী
বৰষাঁ হিয়াত অমিয়া ধাৰ।

দেবি!—তোমাৰ ছন্দৰ মধুৰ সুৰত
জাগক গুপ্ত হৃদয় মোৰ,
তোমাৰ—ভাব ভঙ্গীমাৰ অমিয়া বা লাগি
বিদগ্ধ হৃদয় পৰক জুৰ।

দেবি!—তোমাৰ জেউতিছটা আলোকত
মোৰ—অন্ধকাৰ হিয়া উদ্দীপ্ত হোক,
তোমাৰ আকুল মোহিনী মন্ত্ৰত
জড় হিয়া মোৰ নাচি উঠক।
দেবি!—তোমাৰ শৰীৰ-কুসুম-গোন্ধে
বেমেজালি হিয়া ৰথক ছানি,
কবিতা! তোমাৰ শুভ আবিৰ্ভাবে,
শান্তিময় হোক হৃদয়খানি।

ওলাই, আহাঁ মোৰ হৃদয়ৰ ৰাণী
হে দেবী কবিতা! চলোৱাঁ পাৰ,

ধৰ্ণা আহি সুৰ ললিত ৰাগিণী,
বৰষাঁ হিয়াত অমিয়া ধাৰ ।

---

## ৪ । আকাশ ।

তুমিয়ে অনন্ত নেকি অনন্ত আকাশ
পৃথিবীক শূন্যত ধৰিছা ?
প্ৰকৃতিৰ ৰূপ-লীলা বাসুকাৰ যণা
যাৰে এই বিশ্ব আবৰিছা ?
তোমাতে উদ্ভৱ নেকি চন্দ্ৰ, সূৰ্য্য, গ্ৰহ,
তৰাবোৰ জকমক কৰ: ?
তোমাৰে স্ৰজন নেকি চাৰি মুঠি জীৱ,-
উৰা বুৰা গজা ভ্ৰমি ফুৰা ?
তোমাৰেণে প্ৰতিবিম্ব আতমা জীৱৰ ?
পঞ্চেন্দ্ৰিয় তোমাৰে স্ৰজন ?
তোমাৰে নে বই থকা কালৰ সোঁতত
মানুহৰ উত্থান-পতন ?
তোমাৰ আত্মাই নেকি নিৰ্গুণ-ঈশ্বৰ
—পৰমাত্মা পুৰুষ প্ৰধান ?
অনন্ত আকাশ তব অনন্ত মহিমা
অন্ত নাই বুজিম কিমান ?

---

## ৫ । ভীষ্ম ।

ভাৰতৰ পূৰ্ণকলা চন্দ্ৰ পূৰ্ণিমাৰ
দেৱব্ৰত মহাব্ৰত ভীষ্ম মহাভাগ !

মর্ত্যত অমৰৰূপে হই অৱতাৰ
থাপিলা জ্যোৎস্নাময় কীৰ্ত্তি মহাত্যাগ।
ৰাজপুত্ৰ, বসুজন্ম, অজেয় জগতে,
ৰাজ্যানুশাসন ধৰ্ম্ম তোমাৰ কণ্ঠত,
তথাপি পিতৃৰ তুচ্ছ সুখৰ হকতে
প্ৰতিজ্ঞাৰ সমাধিলা মহাত্যাগ ব্ৰত।
ৰাজ্য স্ত্ৰী-ভোগ চিন্তা নানিলা মনত,
তথাপি ৰাখিলা ৰাজ্য বংশৰ কাৰণ,
উপযুক্ত স্থান তব বজাবো ওথত
ধৰম ৰাজ্য পুণ্য গঠিত আসন।
কুৰুক্ষেত্ৰ তীৰ্থ মাজে শৰ আসনেৰে,
স্বৰ্গী হলা কৰ্ম্ম জ্ঞান ভকতি মাৰ্গেৰে।

---

## ৬। ধুপিতৰা।

সুৰুজৰ চোকা ৰদৰ কাষত
জোনৰ জোনাক কি!
নিশাৰ জোনৰ চেঁচা জোনাকত
ভোটাৰ পোহৰ সি!
জোঁৰৰ আগত বন্তিৰ পোহৰে
পোহৰ কৰিব কি!
ৰবৰ আগত সকটি নজলে
প্ৰকৃতি নিয়ম ই।
আমি,ধুপিতৰা সবাতোকৈ সক
—অস্তিত্ব মাথোন যি;

তথাপিতো আমি কৰ্ত্তব্য পথত
বাট হেৰুৱালিম কি ?
আকাশী বাটেদি সূৰ্য্য যায় বুলি
জোন নাযায় নে কি ?
কিয় ভোটা তৰা সেই পথে চলে ?
আমাৰেনো তেন্তে কি ?
চন্দ্ৰ সূৰ্য্য ভোটা তৰা তিৰিকক
সকলো নেওচা দি,
নিজ তিৰিকনি আছে যি কে কনি
জ্বলিম তাৰেই দি।

---

## (৭) নহওঁ নিৰাশ।

ভাবিছোঁ মনতে মই কি কাম কৰিম বুলি,
যাওঁ বেন কষ্টে কতে আপোন উদ্দেশ্য ভুলি।
"পৰৰ মূৰত থোৱা ভটীয়া নাৱত যোৱা"
কুঞ্চছ জীৱন পৰহাত মুখলই চোৱা !
ইপিনে "পৰত আশা বসত বাস"ৰ দৰে
সিজিব উদ্দেশ্য বুলি কোনে ডাঠি থাকা কৰে !
নিৰাশত কোচ-খোৱা হৃদয়ত সাহ বান্ধি,
প্ৰতিজ্ঞা লাখুটি ধৰি সুখে দুখে হাঁহি কান্দি,
তথাপি উদ্দেশ্য আজি এবাৰ বিচাৰি যাওঁ,
জানোছা কতোবা গই কালে তাক দেখা পাওঁ।
দেখোঁ যদি কৰবাত সাগৰত পদ্ম ফুলা,
বসন্তৰ কুলিটিয়ে হেমন্তত কু-উ বোলা,

দেখো যদি বিনা মেঘে বিজুলা চমক মৰা,
দেখোৱা তাতেই লই উদ্দেশ্যৰ গুটি ধৰা !
শিৰত প্ৰভুৰ আজ্ঞা অন্তৰত ভক্তি থই ;
পিঠিত আকাঙ্ক্ষা বোজা কান্ধত কৰ্ত্তব্য লই,
জয় জগদীশ প্ৰভু ! বিপদতাৰণ ! বুলি,
ওলালোঁ টঙ্গালৈ মাৰি উছাহে কাছুটি তুলি ।

---

## (৮) পাণ্ডৱগীতি ।

জীৱন যজ্ঞ যজুৰ্ব্বেদৰ
বৈশনপায়ন ওজা ;
বৰ্ণিত শুনা জন্মেজয় !
মানৱ জীৱন যুঁজ ।—
শৰীৰৰ পঞ্চ ইন্দ্ৰিয় পাণ্ডৱ,
ৰিপুৰেই কৌৰৱ দল,
কৌৰৱ প্ৰভাৱ পীড়িত পাণ্ডৱ
ভৱ অৰণ্যলৈ গল ।
সৎ মুনি ঋষি সঙ্গত বঞ্চিলে
দমিলে দ্ৰোহী পাষণ্ড ;
বাৰ বছৰৰ অভিজ্ঞতা বলে
চিনিলে মুকুতি পথ ।
দুখ বিপদত লাও-লোৱা হৈও
নেৰিলে ধৰ্ম্মত ৰতি
ধাৰ্ম্মিক ভকত পাণ্ডৱ-ৰথৰ
সেই হে ঈশ্বৰ সাৰথি ।

পঞ্চ ইন্দ্ৰিয় পঞ্চ পাণ্ডৱেৰে
ৰিপু কৌৰৱগণ,
মানৱ শৰীৰ কুৰুক্ষেত্ৰত
কৰিলে দুৰ্ঘোৰ ৰণ।
ৰিপু বিনাশক পৰাভৱ কৰি
থাপি ধৰম ৰাজ্য
জীৱন যুঁজত স্থিৰ যুধিষ্ঠিৰে
সিজালে উদ্দেশ্য কাৰ্য্য।
সংসাৰ কৰ্ত্তব্য সংসিদ্ধি কৰিলে
মৃত্যুৰ সময় হল,
জ্ঞান, স্পৰ্শ, ঘ্ৰাণ, শ্ৰৱণ, দৰ্শন
ইন্দ্ৰিয় অক্ষম হল।
ধৰ্ম্মপৰায়ণ যুঁজত জিকাক
অকলশৰীয়া মন,
আত্মাময় হৈ সৌশৰীৰেই
পালে স্বৰ্গ নিকেতন।
নগল লগত সংসাৰৰ কেওঁ
——অসাৰ সংসাৰ অই!
ধৰম মাথোন পিচে পিচে গল
কুকুৰটি যেন হই।

## (৯) ঊষা।

( ঊষা কাকতত উপলক্ষ কৰি )

"অৰুণ উদোঁতে পুবে ঢাকিলে তাৰাৰে
মাৰ গল অদৃশ্য ভাৱত,

জিলাক ঢিমিকি থাকি লুকা ভুকি খেলি—
"তৰা" আঁৰ হল আকাশত।
আন্ধাৰত জাকি মাৰি জিলিকি হুকুৰা
"জোনাকী" লুকাল বননিত,
ডাৱৰতে চাৎ-কৰে দেখা দি লুকোৱা
"বিজুলী" নহয় উদ্ভাবিত।
মিট্-মিট্ কৰি জলা একে গছি 'বন্তি'
ঘুমায় ঘুমায় বতাহত,
আধেক আন্ধাৰ নিশা আধেক পোহৰ
ক্যানি মুনি "উষা" আলোকত।
আধামৰা আধাজীয়া জাতীয় জীৱন
মৰোঁ জীওঁ চিন্ নোহোৱাত,
আধেক নৈৰাশ আৰু আধেক আশাৰ
উষাময় চানেকী হিয়াত।

---

## (১০) চিত্ৰলেখা।

আঁকিলি কতনা চিত্ৰ দেৱাসুৰ নৰ
কুমলীয়া হিয়া খন তোৰ,
বিশ্ব প্ৰকৃতিৰ জান্নো ক্ষুদ্ৰ তাজৰণ
ছবিময় নাই আদি ওৰ।
সখিয়াৰ হকে তই নিজৰ জীৱন
সমূলি উপেক্ষা কৰিছিলি,
অদ্ভুত সাহেৰে কৰি অসাধ্য সাধন
অনিৰুদ্ধ কুমৰ হৰিলি।

যুবতী ৰূপহী নিজে—হৰ্ব্বিল যুবক,
তেও তোত নাই একো চয়,
হৃদয়ৰ বল তোৰ ভাবনা-অতীত
কামক কৰিলি পৰাজয়।
সুৰগি নহৈও তই প্ৰেমৰ পুতলি,
নাই তোত কুত্ৰিমতা অই,
মৰ্ত্যত তুলনা তোৰ বিচাৰি নাপাওঁ
দেৱীয়েইনে অপেচৰী তই ?

## (১১) কৃষক।

জীৱন লাৱৰ গুৰি বঠা ধৰি তুমি
সমাজক ৰাখিছাঁ জীয়াই,
তুমিয়ে পিতৃৰ তুল্য গোটেই দেশৰ
অন্নাহাৰ দিছাঁ সৰ্ব্বদায়।
তোমাৰ জহতে লোকে আৰ্জ্জি বিদ্যা জ্ঞান
সমাজৰ উন্নতি সাধিছে,
তোমাৰে উৎপন্ন লই কিনাবেচা কৰি
সদাগৰে লক্ষ্মীক বান্ধিছে।
বাৰিষাৰ এটি মাহো বহি থাকাঁ যদি
দেশত লাগিব হাহাকাৰ,
সমাজ বান্ধনি কেনি পৰিব উফৰি
উন্নতিও হব চাৰখাৰ।
তোমাৰ সমান নাই দেশ হিতকৰ
প্ৰাণদাতা সকলো নৰৰ,

তোমাৰ বিহনে হব জগত শ্মশান
তুমিমাত্র সাৰ সংসাৰৰ।
স্বাধীন বিচাৰ কৰি আপোন ইচ্ছাৰে
তুমিয়েই মুকলিমূৰীয়া,
নেপাতা কাৰেকো হাত, নধৰা খাটনি;
বাঢ়িছা দেশৰ তুমি চিন্তা।

## (১২) নকৰা শুদাতে মিছা।

লুকুৱা মনৰ ভাব মুখৰ কথা দি
অন্তৰত পৰিস্ফুট বুকুৰেও হৃদয়ে,
নাথাকে গুপুতে একো কিহৰ ভুৱাদি,
নাজানক আনে কিন্তু জানে প্ৰকৃতিয়ে।
প্ৰকৃতিত উৎপন প্ৰকৃতিৰ দেহা,
প্ৰকৃতিত জীৱাত্মাৰ অস্তিত্ব সৃজন,
প্ৰকৃতি বুকৰ নানা সংসাৰৰ বেহা—
পাপ-পুণ্য সুখ দুখ জনম মৰণ।
প্ৰকৃতিত উদ্ভাবন প্ৰকাশ্য গুপুত,
সঁচা মিছাৰ অস্তিত্বও প্ৰকৃতি বুকুত।

## (১৩) শান্তিপথ।

পিঠিত ভাৰৰ বোজা, হেলায়-হেপায়
কলৈনো ঘোৰাঁ হেৰা মনাই ককাই?
জানিছোঁ বিচাৰা তুমি সুখপূৰ্ণ ঠাই,
শান্তি লভিবৰ মনে বোজাটি নমাই।

সুখ নৰকত, সুখ-দুখ মৰতত,
একমাত্র সুখ শান্তি আছে স্বৰগত।
মৰতৰ অধিবাসী মনাহ তকত।
বিচাৰি নোপোৱাঁ পূণ সুখ মৰতত।
সন্তোষে বান্ধোৱা পাৰ দুটিত ঠেকাই
বিমল প্ৰেমৰ মুত্ত নই বই যায়,
প্ৰীতিৰ মলয়ে যত ঢৌৱায় খেলায়
সেয়েই স্বৰগ সেয়ে শান্তিময় ঠাই।
নাই তাত মিছা বেশ্যা পাপ তাপ যত,
হিংসা কপততা একো নাই সিথানত।
ইচ্ছা যদি আছে মোত ৰাখিবাঁ সঞ্জাত,
শান্তিধামলৈ যোৱা দেখুৱাওঁ বাট,—
দৃঢ় প্ৰতিজ্ঞাৰ সাহ বান্ধি হৃদয়ত,
ধৈৰ্য্যৰ লাখুটি ধৰি কৰ্ত্তব্য কামত,
সৎস্বভাবৰ এৰ্ব্বাস্থতাৰ সাঁকোত,
বগাৱাঁ ঈশ্বৰ-নাম সুৰ্ব্বৰি মনত।
সাৱধান! ধুন্নহাই আকুল কৰিব,
বাধা বিঘিনিৰ ঢৌৱে তৎ হেকৱাব,
বাৰে-শত্ৰু শিহু ঘঁৰিয়ালে আক্ৰমিব,
ধুঁৱলি কুঁৱলি দিশ হতাশে ছাটিব।
তেতিয়া নেৰাৱাঁ তুমি কৰ্ত্তব্য পাহৰি,
আগুৱাবাঁ একে বাহে কৰ্ত্তব্য সুৱঁৰি।
তেহে পাবাঁগই তুমি শান্তিময় স্থান,
জঞ্জাল দুখৰপৰা পাই পৰিত্ৰাণ।

## (১৪) তুলসীদাস।

ভগৱৎ প্ৰেমধাৰে তোমাৰ হিয়াৰ
ভৰিবাতে কৰিবলে প্লাবিত ভাৰত,
জন্মিলা তুলসীদাস ' যমুনা-তীৰৰ
আত্মাৰাম গোস্বামীৰ পৱিত্ৰ কুলত।
নিজৰি হিয়াৰ প্ৰেম ভৰা-যৌৱনৰ
ভাৰ্য্যা সৰোবৰ ভৰি থাকোঁতে উপচি,
ভাৰ্য্যাৰ ধিক্কাৰ বাক্যে ভাঁঙ্গি দিলে পাৰ,
বৈ গল প্ৰেম নই ভগৱদোদ্দেশি।
বইছে পবিত্ৰ তাৰে সুঁতি অনুপাম
ৰামায়ণ নাম যাৰ কবিতা টতিনী
ভকতিয়ে ঢৌ তাৰ মৎস্য ৰাম নাম,
পতিত পাৱনী ভক্তি সুধা নিস্যন্দিনী
ভকতি মণ্ডৰ কৰি মথনিৰ দন্দ,
ভাগৱত জলধিক মথি অবিৰত,
দেৱ তুমি তব ভাগ প্ৰেম-মকৰন্দ
অমৰত্ব গুণ-পণা থাপিলা মৰ্ত্ত্যত।
মহাত্মা তুলসী! দেব চৰিত্ৰ তোমাৰ
অন্তৰে অন্তৰে ব'ক প্ৰতিভাৰ ধাৰ।

---

## (১৫) মোহ মুদ্গৰ।

(সংস্কৃতৰ অসমীয়া ভাঙ্গনী)

(১

ধন তৃষ্ণা এৰা মূঢ়, ক্ষুদ্ৰ বুদ্ধি মন
তৃষ্ণাহীন কৰা যত্ন কই,

নিজ কৰ্ম্ম ফলে ধন লভিবা যিমান
সন্তুষ্ট থাকিবা তাকে লই।

(২)

তোমাৰ আপোন কোন পুত্ৰ পৰিবাৰ
মায়াময় বিচিত্ৰ সংসাৰ,
তুমি বা আপোন কাৰ, কৰপৰা হল
চিন্তা ভাই আত্ম তত্ত্ব ভাব।

(৩)

ধন জন যৌবনৰ গৰ্ব্ব অকাৰণ
কালে নিমিষতে হৰে চোৰ্য্য,
জানি ভবমায়া মোহ অতিক্ৰম কৰি
পৰব্ৰহ্ম পদাশ্ৰয় লোৱা।

(৪)

পদুম পাতৰ জল তৰল যিৰূপ
অথিৰ জীৱন ইতো তাৰ,
ক্ষণিক সংসাৰ, সাৰ সাধুসঙ্গ মাথোঁ
ভবাৰ্ণৱ তৰিবৰ নাৱ।

(৫)

জনমৰেপৰা মৃত্যু, মৰণৰে পৰা
পুনৰ্জ্জন্ম,—জীৱনৰ দুখ,
জনম-মৰণশীল সংসাৰত নৰ!
কাহা নিলো লভিবা সন্তোষ?

(৬)

সন্ধ্যা, পুৱা, নিশা, দিন, শীত বসন্তাদি
কালৰ চাকত আছে বায়,

লগে লগে টুটে জীৱ জীৱনৰ আয়ু
তথাপি আশাৰ ওৰ নাই ।

(৭)

শৰীৰ হালিল আৰু চুলি পকি গল,
দাঁত সৰি মুখ সোলা হল,
হাতত লাখুটি কঁপে থৰক-বৰক
তণ্ড আশা তেও নাতৰিল ।

(৮)

দেৱালয়, গছতল আশ্ৰয়ৰ স্থল,
ভূমি শয্যা ছাল সাজ লই,
সংসাৰৰ সৰ্ব্বভোগ এৰি বৈৰাগ্যত
কোনো কয় সুখ নাই অত ।

(৯)

শত্ৰু-মিত্ৰ পুত্ৰ-বান্ধ আপোন পৰৰ
ভেদ-জ্ঞান অহংভাব এৰি,
সবাকো সমানভাৱে দেখা সৰ্ব্বত্ৰতে,
বিষ্ণুপদ প্ৰাপ্তি বাঞ্ছা কৰি ।

(১০)

পৰ্ব্বত সাগৰ আদি বিশ্ব-চৰাচৰ
ব্ৰহ্মা, ইন্দ্ৰ, সূৰ্য্য, রুদ্ৰগণ,
তুমি মই তেওঁ এওঁ সকলো নশ্বৰ,
কিয় তেন্তে শোক অকাৰণ ।

(১১)

তুমি মই আদি সৰ্ব্বব্যাপী বিষ্ণু এক,
মিছা কোপ কৰা ধৈৰ্য্য এৰি,

সকলোকে দেখা এক পৰম আত্মা,
ভেদজ্ঞান মায়া পৰিহৰি।

(১২)

ওমলোঁতে বাল্য গল, যৌৱনত মন
যুৱতীৰ অনুৰক্ত হল,
বুঢ়াকাল পাৰ হল ভাবনা চিন্তাত
ব্ৰহ্ম চিন্তা এবাৰো নহল।

(১৩)

অনৰ্থক অৰ্থ চিন্তা কৰে সদা যেয়ে
সত্যে সত্যে সুখ তাৰ নাই ;
ধনীৰ ধনৰ ভয় পুত্ৰৰ পৰাও
শঙ্কাকুল সৰ্ব্বত্ৰ সদায়।

(১৪)

ধন আৰ্জ্জিবৰ শক্তি থকা দিনলৈকে
পৰিজন অনুৰক্ত হয়,
শক্তিহীন জড়াৱস্থা লভিলে তেতিয়া
কেৰ্হে আৰু বতৰা নলয়।

(১৫)

কাম ক্ৰোধ লোভ মোহ এৰি কোনে হায়
আত্ম ধ্যান কোনে আচৰিব !
আত্ম-জ্ঞান হীন অন্ধপ্ৰায় মূঢ়গণ
নিগূঢ় নৰকত পচিব।

## (১৬) ন।

তৃণ-তরু-লতা ন-ন পাতে ছাটা
গ্রীষ্ম বর্ষা গল ন ন ন,
শরৎ, হেমন্ত, শীত, বসন্ত,
আহির লাগিছে ন ন ন।
অতীত পুরণি নবে জননী
পুরণিত্তে জন্মে ন ন ন,
এই চরাচর অনন্ত বিশ্বর
কালর ই গতি ন ন ন
লয়ে চেতনা বিকাশ জীবর
অস্তিত্বর স্থিতি ন ন ন ;
ন ময় সকলো বিশ্বব্রহ্মাণ্ডর
সৃষ্টি স্থিতি লয় ন ন ন।
যি পথেই আমি যাওঁ আগবাঢ়ি
সেইত্তেই শুদা ন ন ন,
বাহিরে ভিতরে মহিমা বিভুরে
অসীম অনন্ত ন ন ন।

---

## (১৭) ভক্তি।

অন্ধকার হৃদয়র
উজ্জ্বল আলোক সিটি,
সংসারত দিকভ্রান্ত
পথিকর লক্ষ্যগতি।

সংসাৰ মৰুৰ পিয়ে
এটুপি ফটিক জল,
নৰৰ দেহাৰ পিয়ে
ভৰষাৰ কেন্দ্ৰ স্থল।
মুক্তিৰ দুৱাৰদলি,
স্বৰ্গীয় প্ৰেমৰ ধাৰা,
ভৱ সাগৰৰ সেতু
জীৱনৰ ধ্ৰুৱতৰা।
মানুহৰ মনুষ্যত্ব
ধাৰ্ম্মিকৰ ধৰ্ম্ম সত্তা
হৃদয়ৰ পাদ্য অৰ্ঘ্য
দিয়েই ভজনা আত্মা।
দেখিও নেদেখোঁ আমি
ভৱমায়া মুগ্ধ হই,
ভকতি সেন্দুৰী থালি
ধৰৈয়া স্বৰ্গতলৈ।

---

## (১৮) সুখ কত ?

নিলগত জিনি জিনি দেখি
পৰ্ব্বত কাঠান কেনে
মনমোহা সুখপূৰ্ণ ছবি,
দূৰ আকাশত সুখময়
জ্যোতিষ্ক মণ্ডলী চাই
আপোন পাহৰা হয় কবি।

পথাৰত শোভা গাৱঁলীয়া
পল্লীবাসী কৃষক জীৱন
সুখময় দেখে নাগৰিকে
কৃষকেও নগৰীয়া ভাকজমকত
দেখা পায় শুদা
নাগৰিক সুখ স্বচ্ছন্দকে।
অইনত স্নেহ প্রেম প্রীতি
অনুৰাগ নিজগত
অইনেহে দেখে সুখময়,
ওচৰৰ বিষিনি জঞ্জাল
খুঁতি-নাতি দোষ যত
নিজগত প্রতীতি নহয়।
কাৰত সদায় পায়
আসোৱাঁহ দুখময় 'বেয়া'—
নৰহিয়া সদায় অসুখ,
নিজগত যেনি চাৰা
তেনি দেখি সুখ-পূৰ্ণ ভাল
মৰু মৰীচিকা দৃশ্য-সুখ।

---

## (১৯) পিছলনি।

নাছিল জঞ্জাল একো খুটিবদ্ধা মন,
দিওঁ আনি ওচৰতে দেনা নানা ভাব,—
উপাদেয় বস্তু কত ভাল ভাল বাছি,
ভাবিলো পূৰিছে তাৰ ইবেলি হেঁপাহ।

শুচালোঁ ভৰিৰ সেন্ধু বশ হল ভাবি,
উমজীয়া মন ৰজমনে ভ্ৰমি ফুৰে
মাতিলেও চাপি আহে ৰৰজাতি দে হ
বিজাতীয় মনে লগ লগাব নোৱাৰে।
এদিন কিৰূপে গল কবই নোৱাৰোঁ,
সোমাই লোকৰ বাৰী লগালে জগৰ,
খংৰাগ কৰি তাক আনিলোঁ আগচি,
লুভুৰা পাচৰ দিলো তালৈ দিলে লৰ।
শেহত নেচাপে আৰু মন, বিগৰিল,
মাথনা হাতীৰ জানো পাৰ পিছলিল।

---

## (২০) খঙৰ ব্যৱহাৰ।

সাপৰ উঠিল মন সাধু হব লই
বিচাৰি বিচাৰি গুৰু পালে,
সংভাবে চলিবৰ নানা উপদেশ
আদি আৰু নাম-কথা ললে।

*

এৰি দিলে খং বিষ তেতিয়াৰেপৰা,
তাতে পালে শত্ৰুৱে আশই,
কোবাই কিলাই তাক নগুৰ-নাগতি
দুষ্ট লোকে কৰিলে নথই।

*

এদিন সুধিলে সাপে গুৰু লগ পাই
প্ৰভু! মোৰ কিহৰ বিলাই?

আগৰ শতুক বোৰে ঠেকত পেলাই
এনেকুৱা কৰিছে কিলাই।

নিচিন্তো অহিত কাৰো—আপোনাৰ আজ্ঞা
প্ৰাণ বাখোঁ খাই গইপাত,
সাধু হই বিপত্তিৰ সীমা নাইকিয়া
পূৰ্ব্ব কৰ্ম্মফল কি লগাত।

শুকৰে মিছিকি হাঁহি দিলে সন্নিধান
সাপ! তই সমূলি নিৰ্ব্বোধ,
কইছিলোঁ ত্যাগ কৰা উচিত মাথোন
তোৰ লোভ মোহ কাম ক্ৰোধ।

শতুকক দেখি তই কিয় আশ দিলি?
সাধুৰূপ কিয় খুলুকালি?
সিঁইত আহোঁতে খেদি আগিৰ দৰেই
কোঁচ্ কোঁচ্ কিয় নকৰিলি?

---

## (২১) প্ৰকৃতিয়ে মোক সাদৰিব।

নেলাগে কেৰেঁ আদৰ কৰিব
প্ৰকৃতিয়ে মোক সাদৰিব,
কৰক আটায়ে অৱজ্ঞা মোক
প্ৰকৃতিয়েতো সামৰিব!

( মোৰ ) নহওক যশস্যা ঐশ্বৰ্য্য-বিভূতি
অসাৰ বিষয় দৌলত ধন,
( মোক ) নেলাগে ওকোন্দা মানৱ টেটোলা।
সাদৰ লুভীয়া উচ্চ মন।
ক্ষুদ্ৰ মানুহৰ ক্ষুদ্ৰ হিয়া
সকলোলৈকে ঠাই নাইকিয়া,
আহল-বহল প্ৰকৃতিৰ হিয়া
খোলা আছে কোনে আগুৰিব!
নেলাগে কেৱেঁ আদৰ কৰিব
প্ৰকৃতিয়ে মোক সাদৰিব।

---

## (২২) নাক কোঁচখাই গল।

ভাবিছোঁ এ দনা পাপৰ ভাবনা,
—নেদেখেতো কেৱেঁ হিয়া!—
কত কি পাঙিছোঁ কত কি ভাঙিছোঁ
আদি অন্ত নাইকিয়া।

চমকি উঠিলোঁ, বুজিছে বা থানে!—
কেউপিনে চালোঁ ঘূৰি,
শূইনে শূইনে ঘৰে গছে বনে,
দেখিলো চকু এজুৰি।

কি যে চকু হায় ! কেনে যে ভ্ৰূভঙ্গী
কি যে হিয়া-ভেদা দৃষ্টি !
যেনি মু'কৰিলোঁ তেনিয়ে দেখিলোঁ—
'যেন) চকুময় বিশ্ব সৃষ্টি !

ডচকু মুদিলোঁ তথাপি দেখিলোঁ—
চকু যে নেৰোৱা হল ।
অপ্ৰস্তুত হলোঁ, লাজে ভয়ে মোৰ
নাক কোঁচ খাই গল ।

---

## ( ২৩ ) ব্ৰজহিয়া ।

অন্তৰৰ প্ৰেম সুঁতি আঁৰ কৰি থোৱা
ঠেঁহ-পেঁচ ৰং বিষ অঁকা যৱনিকা
সুলকিল উদঙাই শত শত হিয়া
আঁহফলা নিঠুৰৰ যাবৰ বেলিকা ।

নাজানি হিয়াৰ প্ৰীতি প্ৰেম-অনুৰাগ
প্ৰেমৰ পুৰতে থাকি প্ৰেম থাকলুৱা ;
শতেক হিয়াৰ জুৰী হায় ! কৰি ত্যাগ
তৃষ্ণাতুৰ কি যে লই ক্ষুদ্ৰ পাণীপীয়া ।

শত হৃদয়ৰ উহে বওক যমুনা,
আবেগৰ লহৰিয়ে ধৰক নাচোন,
জ্ঞানৰ পূর্ণিমা-জোনে বৰষক জ্যোৎস্না,
প্ৰকৃতিয়ে বিৰহৰ পিন্ধক কাচোন।

প্ৰেম আকলুৱা কানু গল যাওক দিয়া,
[illegible]হিব আকৌ গোপী! ইযে ব্ৰজহিয়া।

---

## (২৪) বসন্তকাল।

শীতক বিদায় কৰি বছৰেক লই,
গ্ৰীষ্মক আগতলৈ হৰষিত হই,
সুখৰ বসন্তকালে
নিজ ৰাজ্য বিস্তাৰিলে,
সুখত সকলো জীৱ বঙত ভাহিছে,
বসন্তৰ সুখ্যাতি কৰিছে।

পকা পকা পাত সৰি ল ন সাজ লই
লঠামুৰা গছ বোৰ আছে থিয় হই।
বসন্তৰ বা-লাগি
ধৰিছে সুখৰ ৰাগি,
ভেঁও কেঁও কই ছুই এটি কুঁহি মেলি
নাছিছে নতুন সাজ বুলি।

জাৰ জহ মিল হল পীড়াপীড়ি নাই,
শীতল মলয়া বাই শৰীৰ জুৰায়,
ফুলানি ফুলেৰে ভৰা
গোন্ধতে উপচি পৰা,
মৌপীয়া প্ৰাণীবোৰে গুণ-গুণ-কই
উৰিফুৰে মউ পীব লই।

মোকচা মোকচা বুলি প্ৰকৃতি সুন্দৰী
আনন্দেৰে প্ৰকাশিত হয় কাছি পাৰি।
নবশক্তি উলাহত
উটি জুৰ বতাহত
বাউলি বাতুলি হই চুলি তুলি মেলি
গৈছে নিজকে হাঁয়! ভুলি।

গছৰ ডালত কপৌ কপোৱনী পৰি
পাতিছে আলচ কিবা নিজকে পাহৰি।
ইটিয়ে সিটিক চাই
আনন্দত ভাহি যায়,
কুকলিত ঘূৰি ঘূৰি নাচিছে এটাই
আনটিয়ে তাকে আছে চাই।

কুলিয়ে কু উ উ বুলি কোমল মাতেৰে
জাতৰ আঁৰত থাকি কি যে গান কৰে।
সখিয়তি ৰবাইয়ে
কতনো চিঞৰ ধৰে;

'কেতেকি' 'কেতেকি' ডাকে কেতেকি চৰাই
একন্তকো ওভি-পাঁতি নাই।

ঈশ্বৰৰ কি যে সৃষ্টি কল্পনা সুন্দৰ
বসন্ত আনন্দময় একাল সুখৰ।
এনে আনন্দ দিনত
মত্ত হই আনন্দত
গাওঁ আহাঁ সকলোৱে ঈশগুণ গান
মিলি জুৰি ভকতিৰ তান।

---

# ৫—নীতিথুপি।

( ১ )

যিটো পথে সাধু চলে লোৱাঁ সেই পথ,
নেলাগে ভাগৰ সিদ্ধি হব মনোৰথ।

( ২ )

নিজৰ স্বভাৱ নিতে কৰাঁ আলোচনা,
সভতা পশুত্ব চোৱাঁ বিজাই কতনা।

( ৩ )

সন্তেৰে বিবাদ কৰা সি বহু ভালেই,
অসন্তেৰে সঙ্গো নেপাতিবাঁ কোনো কালেই।

( ৪ )

বয়সতো আগ্ৰহেৰে বিদ্যা উপাৰ্জ্জিবাঁ,
ইকালে নোপোৱা ফল সিকালত পাবাঁ।

( ৫ )

ঘৰত লাগোঁতে জুই ব্যৰ্থ খনা খাল;
বিপদৰ পূৰ্ব্বে প্ৰতিকাৰ চিন্তা ভাল।

( ৬ )

লৰাৰো যৌক্তিক কথা নেপেলাবাঁ ঠেলি,
বন্তিৰেও পোহৰায় মাৰগলে বেলি।

( ৭ )

কালিলই যি কৰিবা আজি তাক সাধাঁ,
অসন্নাত জীৱন বাড়িছে কিবা বাধঃ !

( ৮ )

মানুহ জনম পাই সাধা এনে কাম,
ইহপৰ লোক যাতে হয় কল্যাণ।

( ৯ )

সুৰাত নিদিবা মুখ, সুৰা মহা অৰি,
যদুবংশ ধ্বংশ হল সুৰা পান কৰি।

( ১০ )

কামত বিশ্বাস এৰাঁ, বিশ্বামিত্ৰ ঋষি,
কামত মোহিত হল মেনকাক দেখি।

( ১১ )

অনুৰক্ত নিৰ্দোষীক নেৰিবাঁ এঙ্গাই,
সীতা ত্যজি ৰামে দেখা ভুগিলে অপায়।

( ১২ )

নহুষ পৰিল খহি ইন্দ্ৰপদ-পৰা
নেমানি অগস্ত্য ; সদা সাধুক সান্দৰাঁ।

( ১৩ )

সৎপথ শাস্ত্ৰ মত নেৰাঁ সদাচাৰ.
শ্ৰীভ্ৰষ্ট হল দৈত্য ধৰি কদাচাৰ।

( ১৪ )

অবিশ্ৰান্ত বিষ্ণু চিন্তা, শৰ শয্যাগত
ভীষ্ম-দৰে ঈশ্বৰ সুভূৰা বিপদত।

( ১৫ )

ধন বন্ধু শত্রুমিত্র জিভাৰ আগত,
জিভাক চলাব পাবি চলা উচিত সতত।

( ১৬ )

নির্ধনীৰ লাহ আৰু দুৰ্ব্বলীৰ কোপ,
উপহাস মাত্র ইটো জানিবা ধ্রুৱপ।

( ১৭ )

সংসাৰ ধনেই বন্ধু হব একে কালে,
আনৰ দোষক এৰি গুণ মাত্র ললে।

( ৮ )

আসক্তি, লালসা, ক্রোধ কৰি পৰিহাৰ,
সংসাৰত সত্যে সুখ পায় অনিবাৰ।

( ১৯ )

লহৰী ক্রোধৰ বশ মহাশত্রু যি
ধৰ্ম্মত বঞ্চিত ভব বন্ধ-হেতু সি।

( ২০ )

প্রাণপণে সৰ্ব্বদায় কৰ্ত্তব্য সাধিবা,
প্রাণ যদি যায়ো অকৰ্ত্তব্য নাসাধিবা।

( ২১ )

এলেহুৱা মূৰ্খ হয়, মূৰ্খ ধন হীন,
নির্ধনীৰ বন্ধু নাই, বন্ধু হীন দীন।

( ২২ )

অনাপিচ গুণি চাই থবিলে কামত
নোহোৱা নৈৰাশা ফল লাভিবা সতত

( ২৩ )

হৰ লগীয়াতো হৰ নলগা নহয়,
এই ভাবি দুশ্চিন্তাক নিদিবাঁ আশ্ৰয়।

( ২৪ )

শৰীৰ থাকোঁতে সুস্থ নেযাওঁতে প্ৰাণ,
সদায় সাধিবা তুমি নিজৰ কল্যাণ।

( ২৫ )

কৰ্ত্তব্যনে অকৰ্ত্তব্য গমি-গপি বাবা,
কৰ্ত্তব্যটো হলে পাচে ধীৰেৰে কৰিবা,

( ২৬ )

শতেক সুকৃতি হোক এক দুৰ্ম্মতিয়ে
ভ্ৰষ্ট কৰে শ্ৰীক যেন বৰ্ত্তিকা বায়ুৱে।

( ২৭ )

জ্ঞান বস্তু ঘটি যেয়ে নাই কৰা দান,
জ্ঞানময় ভগৱান তাৰ প্ৰতি বাম।

( ২৮ )

জীবিকালৈ ঈশ্বৰৰ সদায় যুগুতি,
জনমিয়ে খাদ্য পায় পয়োধৰ দুটি।

( ২৯ )

ধনৰ টোকোনা আছে, আছে সম্পদৰ,
নোপোৱাঁ টোকোনা কতো সুখৰ মাতৰ।
সংসাৰ সমস্ত যদি শুনি মিঠা মাত,
কবলৈ কুণ্ঠিত কিয় হব লোক তাত।

( ৩০ )

দ্বেষ, নিন্দা, তোষামোদ কাকো নকৰিবা,
আদৰ নেপালে কাকো ঘ-লৈ নেযাবা।
শিলৰ মূৰ্ত্তিয়ে তাকে নকৰা গুণত,
শিলা হৈও দেৱবাচ্য হয় মৰতত।

( ৩১ )

সকলোলৈ কৰা য'দ প্ৰিয় অনুষ্ঠান,
শত্ৰু হীন হৈ পাবা যতে ততে মান।
মৃগেও বাঁহীৰ মাত শুনি চিকাৰীৰ,
প্ৰাণ ভয়ো এৰি হয় মোহত অধীৰ।

( ৩২ )

অন্যায়েৰে ধন ঘটি ধনী হোৱা থৈ
হাজাৰো দৰিদ্ৰ হোৱা ভাল অতিকই।
অমেধ্য আহাৰ ভুঞ্জি পুষ্ট হোৱাতকৈ,
নেখাই ক্ষীণোৱা সিও ভাল তাত কই।

( ৩৩ )

যত ঘিউ কাঠ দিয়া দহিব অনলে
নেলাগে আমনি তাৰ যিমানেই জ্বলে।
কাম অন্তৰ্দাহ অগ্নি তাৰ তৃপ্তি নাই,
ৰূপ, ৰস, গন্ধ, স্পৰ্শ পালে বাঢ়ি যায়।

( ৩৪ )

প্ৰমদা দেখিলে লোক হয় উনমত্ত,
মদখালে মত্তলীয়া হয় লোক যত।

ধন বস্ত্র সাঁচি থলে বাগি বহে তাত,
তিনি বিধ মদ তার কি আছে সঞ্জাত।

( ৩৫ )

কি হব নিজৰ গুণ নিজে বখানিলে,
সমাজত মুৰুখ বা পণ্ডিত থাকিলে।
নকলেও গুণ হলে বুজিব পণ্ডিতে,
ফলেও মূৰুখে বুজি নেপায় একোতে।

( ৩৬ )

বিদ্যাভ্যাস, ঔষধৰ পথ্য বিতৰণ,
যত্নেৰে কৰিব্ৰা সদা হৈ শুদ্ধমন।
পৰধন, পৰস্ত্ৰী, খলুৱাৰ সঙ্গ
উপেক্ষা কৰিবা সদা শাস্ত্ৰৰ বচন।

( ৩৭ )

সাধুসেৱা, ধৰ্ম্ম শাস্ত্ৰ সাধু মুখে শুনা,
সন্দেহ খুচবি সুধি কৰা আলোচনা।
পুৱাৰ বদত পদ্ম ফুলে যেনে কই
সিদৰে বিকাশ হব বুদ্ধি বৃত্তি চয়।

( ৩৮ )

একে ক্ষেত্ৰ সুমথিৰা মউ বহ ধৰা,
কিন্তু তাৰ নেমু টেঙ্গা টেঙ্গাৰসে ভৰা।
সজ্জনে সংগ্ৰহ কৰে সৎগুণাৱলী,
অসতে ভৰায় অনিষ্টেৰে তাৰ ঝুলি।

( ৩৯ )

অসাৰ ধনৰ সাৰ স্বাৰ্থ দান
অসাৰ বাক্যৰ জানা সত্য,
জীৱনৰ সাৰ্থকতা স্বধৰ্ম্ম কীৰিতি ;
মনুষ্যত্বৰ সাধা পৰহিত্ ।

( ৪০ )

মহতৰ নিন্দা কৰি মূঢ় নৰে
মাত্ৰ আত্মকলুষিত কৰে ।
ওপৰলৈ ছাই মুঠি চটিয়ালে
নিজৰ মূৰতে ঘূৰি পৰে ।

( ৪১ )

কাৰ্য্যদক্ষ হলে সামান্য লোককো
সবাৰে আদৰ কৰে,
সিংহ পশুৰাজ সিও অনাদৃত,
গৰুকো লোকে আদৰে ।

( ৪২ )

অধমক পীড়ে দুখৰ হেঁচাই,
উত্তম তালই সদাদূৰ,
অধমাঙ্গ পাদ শীত সংক্ৰান্ত
শীত মুক্ত উত্তমাঙ্গ মূৰ ।

( ৪৩ )

এই সংসাৰত ছুচিৰহাৰী
একোৱে হৰ নোৱাৰে,

তু' এদিন মাত্ৰ চন্দ্ৰে পূৰ্ণৰূপে
সুষমা বিকাশ কৰে।

( ৪৪ )

অন্তৰ বুদ্ধিত চলে যিটোনৰ
নিজ_ বুদ্ধি গৰ্ব্ব কি ?
লোকৰ গহনা খুজি পিন্ধোতাৰ
থকা ধুন মৰা সি।

( ৪৫ )

পৰক পীড়াদি সুখ বাঞ্ছোঁতাই
নিজে পৰিতাপ আৰ্জ্জে,
পৰৰ তেজ পী দুখ দিয়া জোঁকে
পীড়াত ৰাউনা ভুঞ্জে।

( ৪৬ )

নীতি বিগৰ্হিত আচৰোঁতা কণা,
কলা নীতি শুনোতা,
উপযুক্ত সময়ত প্ৰিয় বাক্য
কব নেজানোতা বোবা।

( ৪৭ )

বিনয়েৰে দান, ক্ষমাযুক্ত শৌৰ্য্য
আৰু গৰ্ব্ব হীন জ্ঞান,
দানযুক্ত বিত্ত, এই সংসাৰত,
দুৰ্লভ চাৰি প্ৰধান।

( ৪৮ )

কাজুৱা চহকী, সুপথ্য ভোজীয়ে
স্বাস্থ্য লাভ কৰে নিতে ;
নিৰোগীয়া সুখী, বিদ্বান উদ্যোগী,
ধৰ্ম্মার্থ আৰ্জ্জে বিনীতে।

( ৪৯ )

পূৰ নহওঁতেই কলিটি ফুটালে
পোৱালি বিকল হয়,
আয়োজন পূৰ্ণ নহওঁতেই কলে,
কাৰ্য্যত বিঘ্ন ঘটিব

( ৫০ )

পৰক নহবা, মৰ্ম্মপীড়াপ্ৰদ
বাক্য নুবুলিবা কাকো,
লবা হৰি চিন্তা, ভব-সাগৰৰ
নিমিষে তৰিবা সাঁকো।

( ৫১ )

বিজ্ঞান আনন্দময়
প্ৰত্যেক হিয়াতে ব্ৰহ্ম
গাখিৰত থাকে যেনে ক্ষীৰ,
মনক মঁথনি ধৰি
ভকতিৰ কৰি জৰি
মঁথি উলিওৱা ব্ৰহ্ম ক্ষীৰ।

---

শ্যামবাণি।

C[illegible]RZON • AL[illegible]

# শুধৰণী কাকত।

| পৃঃ | শাৰী | অশুদ্ধ | শুদ্ধ |
|---|---|---|---|
| ১ | ১৩ | খন্দোৱ্ৰা | খন্দোৱা |
| ২ | ৮ | কো | চকা |
| ৫ | ১৮ | আচৰ্কিত | আচৰিত |
| ৯ | ১০ | যেই | যে ই |
| ১৪ | ৮ | খাত্ত | খাত্ত |
| ১৬ | ১১।১৩।১৫।১৭ | ( লয়ে ) | ( লেয়ে ) |
| ঐ | ১৯ | ৰজগুণ | সত্বগুণ |
| ঐ | ২১ | সত্বগুণ | ৰজগুণ |
| ২০ | ৯ | হবি ! | পুৰি ! |
| ২১ | ১০ | আছোঁ | আহাঁ |
| ২৩ | ১৪ | হবি | পুৰি |
| ২৫ | ৬ | টঙক | টঙচু |
| ২৮ | ৯ | খেদাদিলি | খেদাদি নি |
| ঐ | ১২ | হিলৈন্ট | হিলৈ* |
| ৩০ | ৬ | ৰচেৰা | ৰচেৰা |
| ৩১ | ১০ | কমহা | কমলা |
| ঐ | ১৪ | আহোমতে | আহোমৰে |
| ৩৫ | ৫ | এদোজ | এদোপ |
| ৩৮ | ২০ | যাব | খাব |
| ৪০ | ১৯ | ডেউবি | ডেউঁবি |
| ৪৪ | ৮ | নেমাবাঁ | নেসাবাঁ |
| ৪৬ | ৩ | খাব | যব |
| ৪৯ | ১১ | মত | য'ত |

| পৃঃ | শাৰী | অশুদ্ধ | শুদ্ধ |
|---|---|---|---|
| ৫০ | ৩ | চলিছে | চলিছেঁ |
| ঐ | ১২ | সজৌ | সদৌ |
| ৫৫ | ৯ | সুঠিৰ | মুঠিৰ |
| ঐ | ১৬ | সমাদৰ | সম্পদৰ |
| ৫৬ | ৫ | পোৱা | পোৰা |
| ঐ | ১৫ | গুছেক | গুচোক |
| ঐ | ১৬ | খৰতৰ | মৰতৰ |
| ঐ | ২০ | হেকৰাউ | হেকৰাই |
| ৫৮ | ১০ | চোনি | হেঁচনি |
| ৬০ | ১ | কুন্তি | কুণ্ডি |
| ৬১ | ৪ | বপৰ | ৰূপৰ |
| ৬৩ | ২০ | জপেৰে | ৰূপেৰে |
| ৬৮ | ১৬ | বসত | বনত |
| ঐ | ১৭ | থাকা | আশা |
| ৭২ | ১০ | লাৱৰ | নাৱৰ |
| ৭৪ | ১ | সুখ নৰকত | দুখ নৰক |
| ৭৬ | ১৮ | কাহানিলো | কাহানিলৈ |
| ৭৯ | ১০ | লয়ে | ন-য়ে |
| ৮০ | ১৫ | থালি | আলি |
| ৮৪ | ১৬ | থানে | আনে |
| ৮৭ | ২০ | জাতৰ | পাতৰ |
| ৮৯ | ১৩ | বস্তি | বস্তি |
| ৯৬ | ৬ | থঁকা | থঁৰা |